RNI TITLE CODE- ASSASS01435

# অসমীয়া বৰ্তমান

ASOMIYA BARTAMAN ■ ASSAMESE WEEKLY ■ Volume -1 ■ Issue-17 ■ Total Page-16 ■ 8 DECEMBER 2023 ■ Guwahati ■ Rs. 10/- Only

অসমীয়া বৰ্তমান ■ অসমীয়া সাপ্তাহিক ■ প্ৰথম বছৰ ■ সংখ্যা- ১৭ ■ ৮ ডিচেম্বৰ ২০২৩, শুকুৰবাৰ ■ গুৱাহাটী ■ মূল্য ঃ দহ টকা













# ড্ৰাগছ সাম্ৰাজ্য

■ **প্ৰবীণ ঠাকুৰীয়া** ঃ ৰাষ্ট্ৰসংঘৰ শেহতীয়া তথ্য অনুসৰি আফগানিস্তানৰ পিছতে ম্যানমাৰ হৈছে বিশ্বৰ দ্বিতীয় বৃহত্তম আফিং উৎপাদনকাৰী দেশ। সমগ্ৰ বিশ্বৰ ২৫ শতাংশ আফিং অকল ম্যানমাৰতে উৎপাদন কৰা হয়। ২০১৫ চনৰ পৰা ম্যানমাৰত আফিঙৰ উৎপাদন হ্ৰাস হ'ব বুলি ধৰা হৈছিল কাৰ্য্যত ইয়াৰ বিপৰীতহে হৈছে । প্ৰতিবছৰে ম্যানমাৰৰ আফিঙৰ উৎপাদন ব্যাপক হাৰত বৃদ্ধি হৈছে। ৰাষ্ট্ৰসংঘৰ ড্ৰাগছ কাৰ্যালয়ৰ শেহতীয়া তথ্য অনুসৰি ২০২২ চনত আফিঙৰ উৎপাদন ৮৮ শতাংশ বৃদ্ধি হৈ ৭৯০ মেট্ৰিকটন আফিং উৎপাদন কৰা হৈছে অকল ম্যানমাৰত ।এই বৃহৎ পৰিমাণৰ আফিং খেতি মুঠ ৪০১০০ হেক্টৰ কৃষিভূমিত সম্প্ৰসাৰিত হৈ আছে। ২০০১ চনত ম্যানমাৰৰ সামৰিক অভ্যুত্থান আৰু কোভিদকালত দেশখনলৈ কঢ়িয়াই অনা অৰ্থনৈতিক সংকট অব্যাহত থাকিলে ভৱিষ্যতে আৰু অধিক পৰিমাণৰ আফিং ম্যানমাৰত উৎপাদন হোৱাৰ সম্ভাৱনা বেকত কৰিছে ৰাষ্ট্ৰসংঘৰ প্ৰতিবেদনে। এইফালে আফিঙৰ এই বৃহৎ উৎপাদনে দক্ষিণ-পূৱ এছিয়াৰ লগতে সমগ্ৰ বিশ্বলৈ কঢ়িয়াই আনিছে অশনি সংকেত। চুবুৰীয়া দেশ হিচাবে ম্যানমাৰৰ গোল্ডেন ট্ৰাইয়েংগেলৰ পৰা সৰবৰাহ হোৱা অবৈধ ড্ৰাগচ বিভিন্ন পথেৰে ভাৰতবৰ্ষত প্ৰৱেশ কৰে। দেশৰ নাৰ্কোটিক কন্ট্ৰল ব্যুৰোই প্ৰকাশ কৰা তথ্য অনুসৰি ভাৰতত অবৈধভাৱে প্ৰৱেশ কৰা অবৈধ ড্ৰাগচ বহু সময়ত জব্দ কৰি অহা হৈছে। ভাৰতৰ জল আৰু স্থলপথেৰে বিশ্বৰ ভিন্ন প্ৰান্তৰে ভাৰতত ড্ৰাগচৰ বেহা চলাবলৈ ড্ৰাগচ সৰবৰাহকাৰীসকলে চেষ্টা কৰি আহিছে। শেহতীয়াভাৱে বিগত ১ ডিচেম্বৰত উৰিষ্যাৰ পাৰাদ্বীপত প্ৰায় দুশ কোটিৰে অধিক (ত্ৰয়োদশ পৃষ্ঠালৈ)

# দৰঙৰ ৭ ৰোগীলৈ কৰুণাধাৰাৰ ৭৪ হাজাৰ টকা প্ৰদান



**বৰ্তমান সংবাদ, মঙলদৈ ঃ** কৰুণাধাৰা দৰং জিলা সহায়ক সমিতিৰ উদ্যোগত ছয় ডিচেম্বৰত দৰঙৰ ৭জন ৰোগীলৈ ৭৪ হাজাৰ টকা প্ৰদান কৰা হয়। এই উপলক্ষে দৰং জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাগৃহত দিনৰ ৰবজাত হোৱা চেক প্ৰদান অনুষ্ঠানত জিলা আয়ুক্ত মুনীন্দ্ৰ নাথ ঙাটেই ৰোগী সকলক চেক প্ৰদান কৰি কৰুণাধাৰাৰ মহানতাক প্ৰশংসা কৰে। তেওঁ লগতে মিছাহাটখোলাৰ প্ৰিয়াংশু ডেকাৰ উন্নত চিকিৎসাৰ বাবে সহায়ৰ হাত আগবঢ়োৱাৰ লগতে বিশেষভাৱে সক্ষম তথা তবলা বাদক গজেন চহৰীয়াক চৰকাৰী কাৰ্যসূচীত তবলা বজোৱাত মনোনীত কৰাৰ অঙ্গীকাৰ কৰে। কৰুণাধাৰা দৰং জিলা সহায়ক সমিতিৰ উপদেষ্টা হৰিচন্দ্ৰ শৰ্মাই আঁত ধৰা আৰু সহকাৰী সম্পাদক শেখৰ মজুমদাৰ, সদস্য জিতুমণি চহৰীয়া, হেৰম্ব প্ৰসাদ কলিতা আদি উপস্থিত থকা এই অনুষ্ঠানত জিলা আয়ুক্ত মুনীন্দ্ৰ নাথ ঙাটেই শিঙিমাৰীৰ টুটুমণি বেগমক ১৫ হাজাৰ টকা, মিছাহাটখোলাৰ মিনতি ডেকাৰ সন্তান প্ৰিয়াংশু ডেকাক ৬ হাজাৰ টকা, সৰুথেকেৰাবাৰীৰ বিশেষভাৱে সক্ষম গজেন চহৰীয়াক ৯ হাজাৰ টকা, শইকীয়াপাৰাৰ বাসন্তী ডেকাক ১০ হাজাৰ টকা, গেৰিমাৰীৰ হেমচন্দ্ৰ ঠাকুৰীয়াক ১৫ হাজাৰ টকা, ছিপাঝাৰ ঢেঁকীপাৰাৰ বেবীমণি পাটগিৰিৰ ৯ হাজাৰ টকা আৰু ভেবাৰঘাট কলিতাপাৰাৰ গীতাঞ্জলি দেৱীক ১০ হাজাৰ টকা প্ৰদান কৰে বুলি সম্পাদক গণেশ দত্তই জনাইছে।

# হাউলী ৰাস মহোৎসৱত মহিলাৰ দ্বাৰা অংকীয়া ভাওনা 'ৰাম বিজয়' প্ৰদৰ্শন



**হাউলী ঃ** হাউলী ৰাসমেলা মহোৎসৱে ইতিমধ্যে ৰাইজৰ ব্যাপক সঁহাৰি লাভ কৰিবলৈ সক্ষম হৈছে। ভগৱান শ্ৰীকৃষ্ণৰ ৰাসলীলাৰ লগতে জগৎ গুৰু শ্ৰীমন্তশংকৰদেৱৰ সৃষ্টি ৰাজি সমূহ ৰাইজৰ মাজত প্ৰচাৰ হয় তাৰ বাবে ৯৬ সংখ্যক হাউলী ৰাস মহোৎসৱ উদযাপন সমিতিয়ে এইবাৰ বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। জগৎ গুৰু শ্ৰীমন্তশংকৰদেৱৰ এক অনুপম সৃষ্টি হৈছে অংকীয়া ভাওনা। এই ভাওনা সাধাৰণতে উজনি অসমত ব্যাপক হাৰত পৰিৱেশন হয় যদিও নামনি অসমত ভাওনাৰ পৰিৱেশন তেনেই সীমিত। গুৰুজনাৰ এই অনুপম সৃষ্টিক ৰাইজৰ আগত চিনাকি কৰি দিয়াৰ উদ্দেশ্যে হাউলী ৰাস মহোৎসৱে ভাওনা পৰিৱেশনৰ এক পদক্ষেপ গ্ৰহণ কৰে। যোৱা ২৮ নৱেম্বৰৰ নিশা হাউলী ৰাস মহোৎসৱৰ মঞ্চত পৰিৱেশন কৰা হয় মহাপুৰুষ শ্ৰীমন্তশংকৰদেৱ বিৰচিত 'ৰাম বিজয়' নামৰ ভাওনা। ভাওনাৰ শুভ উদ্বোধন কৰে ৰাস উদযাপন সমিতিৰ সভাপতি মুনীন্দ্ৰ দাসে আৰু অনুষ্ঠানটোৰ আঁত ধৰে সাংস্কৃতিক বিভাগৰ সভাপতি নৃপেন দাসে। ভাওনা পৰিৱেশন কৰে বৰপেটাৰোড আঞ্চলিক মহিলা সমিতিৰ সদস্যা সকলে। অকল মাথোঁ মহিলা সকলে অভিনয় কৰা ভাওনাখনিত মহিলা সকলে সুন্দৰ অভিনয় কৰি দৰ্শকৰ বিপুল সঁহাৰি লাভ কৰিবলৈ সক্ষম হয়। বৰপেটাৰোড আঞ্চলিক মহিলা সমিতিৰ সদস্যা সকলে অভিনয় কৰা ভাওনাখনি পৰিচালনা কৰে বৰপেটাৰ বিশিষ্ট সত্ৰীয়া শিল্পী দীনেশ চন্দ্ৰ দাসে। ভাওনাখনৰ শিল্পী ক্ৰমে জয়মতী তালুকদাৰ, হিমানী চৌধুৰী, অঞ্জনা তালুকদাৰ, দীপালী ঠাকুৰীয়া, ৰেখা ৰায়, মুন কলিতা, নিৰু ভাগৱতী, বুলা ওজা, পাপৰি চৌধুৰী, দিশা ৰয়, লেখাশ্ৰী দাস, কীৰ্তি চৌধুৰী, ভায়োলিনা ভাগৱতী, ৰীতা দাস, জ্যোৎস্না দাস, অৰ্চনা তালুকদাৰ, পুতুলী হালৈ, দীপিকা নাথ, কমলতা কাকতি, গীতাঞ্জলি কাকতি, নিৰুপমা ৰায়, বিদিশা দাস, লীলা চৌধুৰী, বনলতা কাকতি আৰু সংগীত ডেইজী দাসৰ। দল পৰিচালক হিচাপে মালতী দাস আৰু ব্যৱস্থাপনাত আছিল টুটু প্ৰকাশ দাস।

# ধুবুৰীত আন্তঃৰাষ্ট্ৰীয় বিকলাঙ্গ দিৱস পালন



**বৰ্তমান সংবাদ ঃ** ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান ধুবুৰীৰ উদ্যোগত আন্তঃৰাষ্ট্ৰীয় বিকলাঙ্গ দিৱসৰ লগত সংগতি ৰাখি আজি ধুবুৰী মিউনিচিপাল উচ্চ মাধ্যমিক বিদ্যালয় প্ৰাংগণত এটি স্বাস্থ্য শিবিৰ অনুষ্ঠিত কৰা হয়। আজিৰ এই কাৰ্যসূচীৰ আৰম্ভণি কৰে ভাৰপ্ৰাপ্ত জিলা যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ জগদিন্দু বিকাশ ৰায় আৰু স্কুল খনৰ প্ৰধান শিক্ষক মুকুট কুমাৰ শৰ্মাই। এই কাৰ্যসূচীত জন্মৰ পৰা ১৮ বছৰ বয়সৰ সকলো ল'ৰা ছোৱালীৰ সম্পূৰ্ণ স্বাস্থ্য পৰীক্ষা কৰি বিনামূলীয়া ঔষধ বিতৰণৰ লগতে বিভিন্ন কাৰণত হোৱা বিকলাঙ্গো শিশু সকলক বিশেষ ভাবে চিনাক্ত (ত্ৰয়োদশ পৃষ্ঠালৈ)

# ৰংজুলি, দুধনৈত পথ দুৰ্ঘটনা, নিহত দুই

**বৰ্তমান সংবাদ ঃ** গোৱালপাৰা জিলাৰ ৰংজুলিত নিশা সংঘটিত হয় এক ভয়ংকৰ পথ দুৰ্ঘটনা। ৰংজুলি সাৰাপাৰাৰ ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথত পুৱতি নিশা প্ৰায় ডেৰ মান বজাত গুৱাহাটী অভিমুখী এ এছ-০১-জি চি -১৫১৫ নম্বৰৰ ৰিক'ভাৰী ট্ৰাক এখন নিয়ন্ত্ৰণ হেৰুৱাই পথৰ দাঁতিত থকা প্ৰকাণ্ড বগৰী গছ এডালত খুন্দা মাৰে। ফলত চূৰ্ণ-বিচূৰ্ণ হৈ পৰে বাহনৰ সন্মুখ ভাগ আৰু থিতাতে নিহত হয় ৰিক'ভাৰী ট্ৰাক খনৰ চালক, হেন্দিমেন। জানিব পৰা মতে গোৱালপাৰাৰ মাটিয়াৰ পৰা গুৱাহাটী অভিমুখে গৈ আছিল ৰিক'ভাৰী ট্ৰাকখন তেনেতে সাৰাপাৰাত বিপৰীত মুখী বাহনৰ সৈতে মুখামুখি সংঘৰ্ষ হয়। সংঘৰ্ষ হোৱাৰ লগে লগে ৰিক'ভাৰী ট্ৰাকখন নিয়ন্ত্ৰণ হেৰুৱাই পথৰ দাঁতিত থকা গছত খুন্দা মাৰে। ইপিনে আনখন বাহন ঘটনাস্থলীৰ পৰা পলায়ন কৰে। দুৰ্ঘটনাত নিহত চালকজনৰ নাম গোৱালপাৰা জিলাৰ ৰংচাই-নয়াপাৰাৰ অজয় ৰাভা (২৬) আৰু হেন্দিমেনজন গুৱাহাটী-লাল গণেশৰ অজয় সৰকাৰ (৪০) বুলি জানিব পৰা গৈছে। দুৰ্ঘটনাত পতিত বাহনখন আৰু মৃতদেহ দুটা ৰংজুলি আৰক্ষীৰ দলে উদ্ধাৰ কৰি ৰংজুলি থানালৈ লৈ আনে। ইপিনে একেদিনাই নিশা দুধনৈ থানাৰ অন্তৰ্গত চৰাইমাৰীৰ ১৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত সংঘটিত হোৱা আন এক পথ দুৰ্ঘটনাত দুজন লোক গুৰুতৰভাৱে আহত হয়। ঘটনা সন্দৰ্ভত জানিব পৰা মতে দুধনৈৰ জিতেন দাস (৩৩) আৰু সঞ্জীৱ খাখলাৰী(৪৮) নামৰ দুজন লোকে এখন নম্বৰ প্লেট বিহীন নতুন বাইকেৰে দুধনৈ দিশে গৈ থকাৰ সময়তে বিপৰীত দিশৰ পৰা অহা টাটা এ চি ই বাহনৰ সৈতে মুখামুখি সংঘৰ্ষ হয়। ফলত দুয়ো পথৰ ওপৰত চিটিকি পৰে। ঠিক তেনে মুহূৰ্ত্তে আন এখন বাহন আহি দুয়ো জনৰ ওপৰেৰে পাৰ হৈ যায়। এই ভয়ংকৰ দুৰ্ঘটনাত দুয়ো গুৰুতৰভাৱে আহত হয়।

# বাল্যবিবাহক লৈ কঠোৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা



**বৰ্তমান সংবাদ ঃ** ৰাষ্ট্ৰীয় অপৰাধ অভিলেখ ব্যুৰোৰে শেহতীয়া প্ৰতিবেদনত ২০২১ চনৰ পৰা অসমত অপৰাধৰ হাৰ ৫০ শতাংশ হ্ৰাস পোৱা বুলি উল্লেখ কৰাৰ পিছতে আজি মুখ্যমন্ত্ৰীয়ে এখন সংবাদমেলৰ আয়োজন কৰে। মহিলা আৰু শিশুৰ বিৰুদ্ধে অপৰাধৰ হাৰো যথেষ্ট হ্ৰাস পোৱা গৈছে। মহিলা আৰু শিশুৰ বিৰুদ্ধে অপৰাধৰ গোচৰৰ সংখ্যা হ্ৰাস পোৱা বুলি এনচিআৰবিৰ প্ৰতিবেদনত উল্লেখ কৰা ২০২২ চনৰ পৰিসংখ্যাও প্ৰকাশ কৰে মুখ্যমন্ত্ৰী শৰ্মাই। এনচিআৰবিৰ প্ৰতিবেদনত উল্লেখ কৰা অনুসৰি ২০২১ চনত অসমত মহিলাৰ বিৰুদ্ধে অপৰাধৰ ২৯, ০৪৬ টা গোচৰ পুনৰ পঞ্জীয়ন কৰাৰ বিপৰীতে ২০২২ চনত এই পৰিসংখ্যা ভয়ংকৰভাৱে হ্ৰাস পোৱাত ১৪, ১৪৮ টা গোচৰ পঞ্জীয়ন কৰা হয়। ২০২১ চনত শিশুৰ বিৰুদ্ধে অপৰাধৰ মুঠ ৫, ২৮২ টা গোচৰ পঞ্জীয়ন হোৱাৰ বিপৰীতে ২০২২ চনত একেটা গোচৰ হ্ৰাস পাইছে য'ত মুঠ ৪০৮৪ টা গোচৰ পঞ্জীয়ন হৈছে। ইয়াৰ উপৰিও মানৱ সৰবৰাহৰ গোচৰো ২০২১ চনত পূৰ্বৰ ২০৩টা গোচৰৰ পৰা ২০২২ চনত ১৪০টা গোচৰ পঞ্জীয়ন হৈছে। আশ্চৰ্যজনকভাৱে সোমবাৰে ৰাষ্ট্ৰীয় অপৰাধ অভিলেখ ব্যুৰোৰ (এনচিআৰবি) ৰ তথ্য অনুসৰি বিগত দুটা বছৰৰ তুলনাত ২০২২ চনত অসমত পঞ্জীয়ন হোৱা দুৰ্নীতিৰ গোচৰসমূহ তীব্ৰভাৱে বৃদ্ধি পোৱা দেখা গৈছে। ৰাজ্যখনত চলিত বৰ্ষত দুৰ্নীতি প্ৰতিৰোধ আইন আৰু ভাৰতীয় দণ্ডবিধিৰ আনুষংগিক ধাৰাসমূহৰ অধীনত ৫৭টা গোচৰ ৰুজু হোৱাৰ বিপৰীতে ২০২০ আৰু ২০২১ দুয়োটা বৰ্ষতে এই সংখ্যা আছিল ১৬ টা। কিন্তু ৫৭টা গোচৰৰ প্ৰায় ৯৫ শতাংশ গোচৰৰ সন্মুখত বিচাৰাধীন হৈ আছে যোৱা বছৰৰ শেষৰ ফালে আদালতত। যোৱা বছৰ পঞ্জীয়ন হোৱা গোচৰসমূহৰ ভিতৰত ৫০ টা হৈছে ফান্দৰ গোচৰ, য'ত চৰকাৰী বিষয়াসকলে উৎকোচ গ্ৰহণ কৰাৰ সময়ত ৰঙা হাতেৰে ধৰা পৰিছিল। আন গোচৰবোৰ অসমতাপূৰ্ণ সম্পত্তি (চাৰিটা গোচৰ) আৰু অপৰাধমূলক অসৎ আচৰণ (তিনিটা গোচৰ)ৰ সৈতে জড়িত আছিল। আনপিনে সংবাদমেল আয়োজন কৰি মুখ্যমন্ত্ৰীয়ে কয়, "২০০১ চনত প্ৰতি ১ লাখৰ বিপৰীতে অপৰাধ হৈছিল ৩৪১ টা। ২০২২ চনত এই সংখ্যা ১৯৪ টালৈ হ্ৰাস পাইছিল। ২০২১ চনত ১, ৩৩, ১৩৯টা গোচৰ ৰুজু হৈছিল, ২০২২ চনত অপৰাধাৰ গোচৰ ৬৮, ৯, ৩৭ টা ৰুজু আৰু ২০২৩ চনত অপৰাধৰ গোচৰ ৰুজু হৈছে ৫৬, ২০২ টা। আনহাতে, ২০২০ চনত হত্যাৰ ১, ১৩১ টা গোচৰ ৰুজু হৈছিল। ২০২১ ত ১, ১৯২টা, ২০২২ চনত ১, ০৭৮টা আৰু ২০২৩ চনত ৮২৯ টা হত্যাৰ গোচৰ ৰুজু হৈছে। ২০২০ চনত মহিলা অপৰাধজনিত ঘটনা ২৬, ৩৫২ টা গোচৰ ৰুজু হৈছিল। ২০২১ চনত মহিলা অপৰাধজনিত ঘটনা ২৯, ০৪৬ টা গোচৰ ৰুজু হৈছে। ২০২২ চনত ৭, ৪৫৩ টালৈ হ্ৰাস পাইছে এই সংখ্যা। ২০২৩ চনত ৬, ১৭১ টালৈ হ্ৰাস এই সংখ্যা। ইয়াৰে ৫, ৩৭০ টা বাল্য বিবাহৰ অপৰাধজনিত ঘটনা। ২০২০ চনত মানৱ সৰবৰাহৰ ঘটনা ১২৪ টা গোচৰ ৰুজু হৈছিল। ২০২১ চনত ২০৩টা, ২০২২ত ১৪০ টা গোচৰ ৰুজু হোৱাৰ বিপৰীতে ২০২৩ চনত এই সংখ্যা ৮৭টালৈ হ্ৰাস পায়। ২০২১ চনৰ তুলনাত ২০২২ চনত ৫০ শতাংশ গোচৰ হ্ৰাস। মুখ্যমন্ত্ৰীয়ে কয়, অসমত ক্ৰমাৎ হ্ৰাস পাইছে অপৰাধজনিত ঘটনা। অপৰাধৰ ক্ষেত্ৰত ৯ নম্বৰৰ পৰা ২০ নম্বৰলৈ নামিল অসম। পূৰ্বে অপৰাধৰ ক্ষেত্ৰত ৯ নম্বৰত আছিল অসম। মহিলাৰ অপৰাধৰ ক্ষেত্ৰত প্ৰথম স্থানৰ পৰা সপ্তম স্থানলৈ নামিল অসম। ২০২৬ ৰ পিছত বাল্যবিবাহ নাথাকিব বুলিও সংবাদমেলত মন্তব্য কৰে মুখ্যমন্ত্ৰী ড° শৰ্মাই।

### সাৰি নাযায় অভিযুক্ত বিষয়া

# এপিএছচিক লৈ কঠোৰ হিমন্ত



**বৰ্তমান সংবাদ ঃ** শেহতীয়াকৈ এপিএছচি কেলেংকাৰিত ইজনৰ পিছত সিজন বিষয়া এচআইটিৰ জালত পৰাৰ সময়তে বিষয়টো সন্দৰ্ভত মুখ খুলিলে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই। আজি সংবাদ মাধ্যমৰ আগত মুখ্যমন্ত্ৰীয়ে কয়, "এই বিষয়ে মই বিশেষ একো নকওঁ। এনে আলোচনা কৰি থাকিলে যুৱ প্ৰজন্ম হতাশ হয়। এই বিষয়ত ডিজিপিয়ে মন্তব্য কৰিব।" তেঁও পুনৰ কয় যে "অসমত প্ৰৱঞ্চকৰ অভাৱ নাই। এতিয়াও একাংশই টকা ল'বলৈ অপেক্ষা কৰি আছে। প্ৰাৰ্থীসকলেও টকা দিবলৈ সাজু হৈ আছে। কিন্তু এটা কথা স্পষ্ট, এতিয়া সেই দিন নাই। অসমত মিডিয়া আৰু বিৰোধীয়ে চাকৰিৰ বজাৰখন দেখাই দিয়ে। মিডিয়াই যিমানে লিখি থাকিব সিমানে বিষয়টো চৰ্চা হ'ব। আৰক্ষীয়ে নিজৰ কাম কৰি থাকিব। এতিয়া এপিএছচিৰ মৌখিক পৰীক্ষা চলি আছে, এই সময়ত এই বিষয়ত আলোচনা নকৰিব।" -এনেদৰে ক'লে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই।

# বিজেপিলৈ আছু নেতাৰ সোঁত

**বৰ্তমান সংবাদ ঃ** প্ৰাক্তন নেতা দিব্য জ্যোতি মেধিকে ধৰি তিনি শতাধিক আছুৰ প্ৰাক্তন সদস্যই চলিত সপ্তাহত ভাৰতীয় জনতা দলত যোগদান কৰাটো নিশ্চিত কৰাৰ পাছত সদৌ অসম ছাত্ৰ সন্থাৰ ভিতৰত যেন এক বৃহৎ বিভাজনৰ সৃষ্টি হৈছে। মৰিগাঁৱত অনুষ্ঠিত হোৱা আছুৰ সদ্য সমাপ্ত কেন্দ্ৰীয় বাৰ্ষিক সন্মিলনৰ পিছত এই কথা প্ৰকাশিত হৈছে। দিব্যজ্যোতি মেধিৰ নেতৃত্বত আছুৰ নেতা-কৰ্মীৰ এটা প্ৰতিনিধি দলে যোৱা নিশা গুৱাহাটীত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক সাক্ষাৎ কৰি গেৰুৱা দলৰ প্ৰতি সমৰ্থন জনায়। সংবাদ মাধ্যমৰ সৈতে হোৱা এক সাক্ষাৎকাৰত আছুৰ প্ৰাক্তন নেতা দিব্যজ্যোতি মেধিয়ে কয়, 'সদৌ অসম ছাত্ৰ সন্থাই ৰাজতন্ত্ৰ চলাই আছে। সংগঠনটোত গণতন্ত্ৰ নাই। ছাত্ৰ সন্থাৰ এটা অংশ উপদেষ্টা হিচাপে থাকিল, আনহাতে, আছুৰ নেতৃত্বৰ পৰা প্ৰকৃত ছাত্ৰ-ছাত্ৰীসকল উপকৃত হোৱা নাই। মই ভাবো ৰাইজৰ আকাংক্ষা পূৰণৰ বাবে সকলো সক্ৰিয় ৰাজনীতি। এটা নিৰ্দিষ্ট বয়সত আছু ত্যাগ কৰিব লাগে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ সৈতে আলোচনা চলি আছে। আগতে মই আছুৰ নেতৃত্বত (ত্ৰয়োদশ পৃষ্ঠালৈ)

# সম্পাদকীয়

অসমীয়া বৰ্তমান, ৮ ডিচেম্বৰ, ২০২৩

## হিন্দী বলয়ৰ ফলাফল

তিনিখন হিন্দী ভাষী ৰাজ্যত ভাৰতীয় জনতা পাৰ্টিৰ বিজয়ৰ আঁৰত প্ৰধানমন্ত্ৰী মোডীৰ মুখখনেই প্ৰধান কাৰক বুলি ক'ব পাৰি। প্ৰধানমন্ত্ৰীয়ে প্ৰতিখন নিৰ্বাচনী সভাতে কৈছিল যে এয়া মোডীৰ নিশ্চয়তা। লোকসভা নিৰ্বাচনৰ দৃষ্টিকোণৰ পৰা এই ফলাফলসমূহে বিজেপিৰ পথ সহজ কৰি তুলিছে। অহা বছৰ অনুষ্ঠিত হ'বলগীয়া লোকসভা নিৰ্বাচনৰ ছেমি ফাইনেল আখ্যা দিয়া বিধানসভা নিৰ্বাচনৰ ফলাফলত কিছু কথা অতি স্পষ্ট হৈ পৰিছে। প্ৰথমতে উত্তৰ ভাৰতত বিজেপি অতি শক্তিশালী আৰু বৰ্তমান প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ জনপ্ৰিয়তাৰ প্ৰত্যুত্তৰ দিয়াৰ ক্ষমতা কাৰো হাতত নাই। এই নিৰ্বাচনত কংগ্ৰেছে ৰাজ্যিক নেতাক অগ্ৰাধিকাৰ দিয়াৰ কৌশল গ্ৰহণ কৰিছিল, আনহাতে প্ৰধানমন্ত্ৰী মোডীৰ মুখৰ ওপৰত নিৰ্ভৰ কৰি সামূহিক নেতৃত্বৰ ভিত্তিত বিজেপিয়ে সকলো ৰাজ্যতে ৰণত প্ৰৱেশ কৰিছিল। নিৰ্বাচনৰ ফলাফলত স্পষ্ট হৈ পৰিছে যে প্ৰধানমন্ত্ৰী মোডীৰ নাম আৰু মুখখন আজিও সাধাৰণ ভোটাৰৰ মাজত আগৰ দৰেই জনপ্ৰিয়। দ্বিতীয়তে, বিজেপি আৰু কংগ্ৰেছ দুয়োটাই বিনামূলীয়া আঁচনি ঘোষণা কৰি উদাৰতা প্ৰদৰ্শন কৰিছিল। কিন্তু ভোটাৰসকলে কংগ্ৰেছৰ নিশ্চয়তাৰ পৰিবৰ্তে মোডীৰ গেৰাণ্টীকহে বেছি পছন্দ কৰিছিল, যিটোৱে স্পষ্টকৈ দেখুৱাইছে যে মোডীৰ নামত অধিক বিশ্বাসযোগ্যতা আছে। তৃতীয়টো গুৰুত্বপূৰ্ণ কথাটো হ'ল এই নিৰ্বাচনত কংগ্ৰেছৰ কাষ্ট চেঞ্চাছ কাৰ্ড ব্যৱহাৰ কৰা হোৱা নাছিল। এই কাৰ্ডৰ গুৰুত্ব এইখিনিৰ পৰাই বুজিব পাৰি যে বিজেপিও এই বিষয়ত হেঁচাত পৰিছিল আৰু প্ৰতিৰক্ষামূলক ভংগীমাত দেখা গৈছিল। কিন্তু নিৰ্বাচনৰ ফলাফলৰ পৰা স্পষ্ট হৈ পৰিছে যে অবিচিৰ সমৰ্থন বহুলাংশে বিজেপিৰ হাতত আছে। এনে পৰিস্থিতিত আগন্তুক লোকসভা নিৰ্বাচনৰ দৃষ্টিকোণৰ পৰা এই বিষয়টোৱে গুৰুত্ব হেৰুৱাই পেলাইছে। যদি ৰাজ্যৰ কথা কওঁ, তেন্তে মুখ্যমন্ত্ৰীৰ প্ৰাৰ্থী হিচাপে নথকা সত্বেও তেওঁ সৰ্বশক্তিৰে থিয় দি এক বৃহৎ জয় লাভ কৰাৰ কৃতিত্ব মধ্যপ্ৰদেশৰ শিৱৰাজ সিং চৌহানক দিব লাগিব। ছত্তীশগড় আৰু ৰাজস্থানত কংগ্ৰেছ নিশ্চিতভাৱে ক্ষমতাৰ বাহিৰত আছিল যদিও দুয়োটা ঠাইতে ভাল যুঁজ দিলে। এই প্ৰেক্ষাপটত স্বীকাৰ কৰিব লাগিব যে ক্ষমতা হেৰুৱাৰ পিছতো কংগ্ৰেছে দুয়োখন ৰাজ্যতে বহু পৰিমাণে নিজৰ ভূমি অক্ষুণ্ণ ৰাখিছে। কংগ্ৰেছ নেতৃত্বৰ বাবে বেয়া কথাটো হ'ল যে ছত্তীশগড়ত বিজয় বুলি ধৰি লৈছিল আৰু বহু মহলত অনুৰূপ দাবী উত্থাপন হৈছিল, কিন্তু ৰাজ্যত বিজেপিৰ তৃণমূল পৰ্যায়ৰ প্ৰচাৰে কাম কৰিলে। তেলেংগানাত কংগ্ৰেছে লাভ কৰিছে এক দৰ্শনীয় জয়। তাত ছমাহ আগলৈকে তেওঁক প্ৰতিযোগিতাত বিবেচনা কৰা হোৱা নাছিল। কিন্তু ই আঞ্চলিক দল বি আৰ এছক বেয়াকৈ পৰাস্ত কৰিলে। এনে পৰিস্থিতিত ইয়াৰ পৰা ভাৰতৰ মিত্ৰতা কেনেদৰে আগবাঢ়িব সেই প্ৰশ্নটো অতি গুৰুত্বপূৰ্ণ হৈ পৰিছে। ইয়াৰ লগত জড়িত আন আঞ্চলিক দলসমূহে কংগ্ৰেছক প্ৰত্যাহ্বান হিচাপে ল'বনে? নিৰ্বাচনৰ প্ৰতিকূল ফলাফলৰ বাবে কংগ্ৰেছৰ বাবে হোৱা বিপৰ্যয়ই ইয়াক আন মিত্ৰৰ বাবে অধিক গ্ৰহণযোগ্য কৰি তুলিবনে? এই প্ৰশ্নবোৰৰ উত্তৰ অহা কেইদিনমান আৰু সপ্তাহত পোৱা যাব, কিন্তু বিজেপিয়ে এতিয়া অধিক আত্মবিশ্বাসেৰে আগবাঢ়ি যাব বুলি নিশ্চিত হোৱাৰ বিপৰীতে বিৰোধী মিত্ৰজোঁটে নিজৰ স্থিতি ৰাখিবলৈ নতুন কৌশলৰ সন্ধান কৰিব লাগিব।

# ছাত্ৰ-ছাত্ৰীৰ জ্ঞান আহৰণত শিক্ষামূলক ভ্ৰমণৰ ভূমিকা



নিবন্ধ

হেমেন শইকীয়া

ভ্ৰমণ কৰিবলৈ কাৰনো ভাল নালাগে। নতুন নতুন ঠাইলৈ যোৱা, চোৱা, সকলোৰে ইচ্ছা থাকে। বিভিন্ন অসুবিধাৰ বাবে দূৰ ভ্ৰমণ বা যাবলৈ ইচ্ছা থকা ঠাইলৈ সকলোৱে যাব নোৱাৰে। বৰ্তমান বহুলোকে একঘেমিয়া কামকাজৰ পৰা কিছু আঁতৰি থাকিবলৈ ইচ্ছা কৰে! সেইবাবেই আজিকালি ভ্ৰমণৰ তাগিদা বাঢ়িছে। ভ্ৰমণে মানসিক অস্থিৰতা দূৰ কৰাৰ লগতে ক্লান্তি আৰু গ্লানিৰে ভৰা মন পুনৰাই সতেজ কৰি তোলে। ভ্ৰমণে শৰীৰ আৰু মন উভয়কে বিশেষ ভাৱে প্ৰভাৱিত কৰে আনকি ৰোগ নিৰাময়ৰ ক্ষেত্ৰতো ভ্ৰমণৰ বিশেষ গুৰুত্ব আছে। ভ্ৰমণ অকল ব্যক্তিৰ মানসিক পুষ্টিৰ কাৰকেই নহয় ই এখন দেশৰ এটা জাতিৰো উন্নতি সাধন কৰে। সেয়েহে ৰাজনৈতিক নেতা, মন্ত্ৰী, উদ্যোগপতি সকলে বিদেশ ভ্ৰমণ কৰা এটা নিয়মমাফিক কাৰ্য বুলিব পাৰি। দেশ-বিদেশৰ বহু নজনা, নেদেখা বিষয় জানিব পাৰি যেনে - সেই দেশৰ শিক্ষা, শিল্প, সংস্কৃতি, কলা, বাণিজ্য উদ্যোগ, পাৰিপাৰ্শ্বিক অৱস্থা পৰ্যালোচনা কৰি দেখি-শুনি, শিকি-বুজি নিজৰ দেশত প্ৰয়োগ কৰি দেশৰ উন্নতি সাধন কৰিব পাৰে।



আগৰ ফুৰাচকা মানে মিতিৰ কুটুমৰ ঘৰলৈ যোৱা, মানে মামা আইতা, ককাইঁতৰ ঘৰলৈ যোৱাটোৱেই মূল আছিল। অন্য ঠাইলৈ ফুৰিবলৈ যোৱাটো সাধাৰণলোকে ভাবিব পৰা নাছিল মাত্ৰ দুই এজনেহে অন্য ঠাইলৈ গৈছিল। এতিয়া ফুৰাচকাৰ ক্ষেত্ৰত পৰিৱৰ্তন আহিছে। আগৰ ফুৰাচকাবোৰেই ভ্ৰমণলৈ ৰূপান্তৰ হ'ল। যাতায়ত আৰু যোগাযোগ ব্যৱস্থা উন্নত হোৱাত বিভিন্ন জনে বিভিন্ন উদ্দেশ্যত ফুৰিবলৈ বা ভ্ৰমণ কৰিবলৈ যায়। কাৰোবাৰ বাবে বিনোদন, কাৰোবাৰ বাবে তীৰ্থভ্ৰমণ, কাৰোবাৰ বাবে উদ্ভিদজগত, ঐতিহাসিক ঠাই, মঠ-মন্দিৰ, প্লেনেটেৰিয়াম, বিজ্ঞানাগাৰ, কাৰখানা, চিৰিয়াখানা, মিউজিয়াম ছোৱা, কাৰোবাৰ বাবে শিক্ষামূলক ভ্ৰমণ আৰু কোনো কোনো লোকে আন বিশেষ কামত ভ্ৰমণ কৰে। ভ্ৰমণ কৰিবলৈ বহু টকাৰ প্ৰয়োজন হয় যদিও আজিকালি আঢ্যৱন্ত পৰিয়ালৰ উপৰিও মধ্যবিত্ত পৰিয়ালৰ লোকেও বিনোদনৰ বাবে ভ্ৰমণৰ প্ৰতি আগ্ৰহী হোৱা দেখা যায়। এই ভ্ৰমণৰ যোগেদিয়েই বিশেষ অনুষ্ঠান বা ঠাইৰ আশে-পাশে বহু ব্যৱসায়িক প্ৰতিষ্ঠান গঢ় লৈ উঠিছে।

এতিয়া মূল কথালৈ আহোঁ। আজিকালি বিদ্যালয় সমূহৰ ছাত্ৰ-ছাত্ৰীৰ বাবে শিক্ষাবিভাগে জ্ঞানজ্যোতি আঁচনিৰ জৰিয়তে ভ্ৰমণৰ ব্যৱস্থা কৰিছে। শিক্ষামূলক ভ্ৰমণ মানেনো কি? চমুকৈ ক'বলৈ হ'লে কোনো ঠাই ভ্ৰমণ কৰি লাভ কৰা অভিজ্ঞতাই হৈছে শিক্ষামূলক ভ্ৰমণ। বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীসকলে ভূগোল, বিজ্ঞান, বুৰঞ্জী, পৰিবেশ আদিৰ বিষয়ে পুথিগত শিক্ষাৰ দ্বাৰাহে জ্ঞান লাভ কৰে। শ্ৰেণীকোঠাত আৱদ্ধ ৰাখি পাঠৰ সম্পূৰ্ণ জ্ঞান দিয়া সম্ভৱ নহয়। সেইবাবে বাস্তৱ আৰু ব্যৱহাৰিক অভিজ্ঞতাৰে আগুৱাই নিয়াৰ এক প্ৰচেষ্টাই হৈছে শিক্ষামূলক ভ্ৰমণ। জ্যেষ্ঠলোকৰ দৰে শিশু চেমনীয়া সকলৰো একঘেমিয়া কামৰ প্ৰতি অনীহা জন্মে। ভ্ৰমণৰ দ্বাৰা মানসিক অৱসাদ দূৰ কৰাৰ লগতে বহু নতুন কথা শিকাৰ সুযোগ পায়।

এই কাৰ্যটি সফল ভাবে ৰূপায়ণ কৰিবলৈ হ'লে শিক্ষাগুৰু সকলে কিছু আগতীয়া পৰিকল্পনা বা প্ৰস্তুতি লোৱাৰ প্ৰয়োজন আছে। লগতে চৰকাৰী নীতি নিৰ্দেশনাৰ প্ৰয়োজন আছে বুলি অনুভৱ হয়। সকলো শিক্ষানুষ্ঠানৰ শিক্ষাগুৰু সকলে নকৰিলেও বহুতে কিছু পৰিকল্পনা কৰে বুলি ভাবাৰ স্থল আছে।

যথাযথ স্থান নিৰ্বাচন কৰাটো এটি সুন্দৰ ভ্ৰমণৰ অভিজ্ঞতা লাভৰ ক্ষেত্ৰত অত্যন্ত গুৰুত্বপূৰ্ণ বিষয়। ভ্ৰমণকাৰীৰ মানসিক, শাৰিৰীক অৱস্থা, সক্ষমতা, বয়স আদিৰ ভিত্তিত ঠাই নিৰ্বাচন কৰা প্ৰয়োজন। নিৰ্বাচিত ঠাই পাঠৰ লগত সংগতি থকা হ'লে ভাল বা অন্য ঠাইও হ'ব পাৰে। যি কেইগৰাকী শিক্ষক-শিক্ষয়িত্ৰী ছাত্ৰ-ছাত্ৰীৰ লগত যাব তেখেত সকলৰ সেই ঠাই সম্পৰ্কে জ্ঞান থকা প্ৰয়োজন। ছাত্ৰ-ছাত্ৰীসকলক বিদ্যালয়তে সেই ঠাইৰ মৌখিক বিৱৰণ দি ছাত্ৰ-ছাত্ৰীয়ে কি কি চাব বা লক্ষ্য কৰিব, পাৰিলে বিদ্যালয়ৰ পৰা গন্তব্যস্থানলৈ মেপ অংকণ কৰি যাত্ৰাপথ দেখুৱাব লাগে। ছাত্ৰ-ছাত্ৰীসকলৰ অন্যান্য সামগ্ৰীৰ লগতে হাতত কলম আৰু বহী এখন ল'ব দিব লাগে যাতে যাত্ৰা স্থানৰ পৰা লক্ষ্যস্থানলৈ যাওতে দৃষ্টিগোচৰ হোৱা মনত ৰাখিবলগীয়া কথাবোৰ লিপিবদ্ধ কৰিব পাৰে। লক্ষ্যস্থান পোৱাৰ পিছত ছাত্ৰ-ছাত্ৰীৰ একোটাকৈ দল বান্ধি চাবলৈ বা ফুৰিবলৈ দিব লাগে। দলসমূহ বিদ্যালয়তে গঠন কৰি একোজন দলপতি নিৰ্বাচন কৰি দিব লাগে। ভ্ৰমনলৈ যোৱা স্থানৰ বিষয়ে সবিশেষ জানিবলৈ সেই ঠাইৰ শিক্ষক বা কোনো বিশেষ ব্যক্তিৰ লগত আগতীয়াকৈ যোগাযোগ কৰিব লাগে যাতে নিৰ্দ্দিষ্ট দিনটোতে ভ্ৰমণ থলীতে ছাত্ৰ-ছাত্ৰীয়ে ভ্ৰমণ কৰা ঠাইৰ বিষয়ে বিতংভাৱে জানিব পাৰে। পিছদিনা বিদ্যালয়ত দলীয়ভাৱে বা ভ্ৰমণ কৰা প্ৰত্যেক ছাত্ৰ-ছাত্ৰীক নিজৰ ভ্ৰমণ অভিজ্ঞতাৰ বিষয়ে লিখিব দিব লাগে আৰু অভিজ্ঞতা সমূহ মৌখিক ভাবে ব্যক্ত কৰাৰ বাবে বিদ্যালয়ত অনুষ্ঠানৰ আয়োজন কৰিব লাগে। যি সকল ছাত্ৰ-ছাত্ৰী ভ্ৰমণলৈ যোৱা নাছিল তেওঁলোকেও কিছু কথা জনাৰ সুযোগ পাব। এই কাৰ্যব্যৱস্থা সমূহ গ্ৰহণ কৰিব পাৰিলে ছাত্ৰ-ছাত্ৰীয়ে কিছু কথা মনত ৰাখিব পাৰিব। এনে নহয় যে ছাত্ৰ-ছাত্ৰীয়ে লিপিবদ্ধ কৰিলেহে শিকিব বা জানিব। দেখি শুনি সমনীয়াৰ লগত আলোচনা বা কথাপাতি স্মৃতি সঞ্চয় কৰি ৰাখিব পাৰে। ভৱিষ্যতলৈ ছাত্ৰ-ছাত্ৰীয়ে লিপিবদ্ধ কৰা ৰূপটোৱেই হ'ব পাৰে ভ্ৰমণ কাহিনী বা ভ্ৰমণ সাহিত্য। ভ্ৰমণৰ জৰিয়তে লাভ কৰা অভিজ্ঞতা নিজৰ মাজতে আৱদ্ধ নাৰাখি আনকো তাৰ ভাগ দিয়া বা জনাৰ সুযোগ দিয়াৰ বাবে ভ্ৰমণকাৰী বা লেখকে অভিজ্ঞতাসমূহ নিজৰ ৰচনাশৈলীৰে লিখি যেতিয়া নিজৰ ভাৱ প্ৰকাশ কৰে তেতিয়াই (ত্ৰয়োদশ পৃষ্ঠালৈ)

# বিদ্যাৰ্থীৰ লক্ষ্য



নিবন্ধ

স্বপ্নশিখা চুতীয়া



শিক্ষাৰ্থীৰ মূল উদ্দেশ্য হোৱা উচিত- শিক্ষা লাভ, বিদ্যা লাভ আৰু জ্ঞান লাভ। কিবা এটা বস্তু লাভ কৰিবলৈ হ'লে সেই বস্তুটো যাৰ ওচৰত থাকে, তেওঁৰ কাষ চাপিব লাগিব, তেওঁক শ্ৰদ্ধা ভক্তি কৰিব লাগিব আৰু তেওঁৰ উপদেশ, আদেশ গ্ৰহণ কৰিব লাগিব । তেওঁ প্ৰথমে শিক্ষাৰ্থীৰ কিমান আগ্ৰহ আছে, মনৰ শক্তি কিমান আছে তাৰ উমান ল'ব। বিদ্যা শিক্ষা লাভ কৰিবলৈ বহুত চেষ্টা তথা কষ্ট স্বীকাৰ কৰিব লাগিব। শিক্ষাৰ্থীয়ে যেতিয়া সকলোখিনি কৰিবলৈ সাজু হয় তেতিয়া তেওঁ শিক্ষা প্ৰক্ৰিয়া যি জনে আৰম্ভ কৰি দিব, সেই জনেই হৈছে শিক্ষা গুৰু। উপনিষদৰ কালত এনে বহুত মেধাৱী ছাত্ৰই গুৰুৰ ওচৰত থাকি বা পৰামৰ্শ লৈ সাধনা কৰিছিল আৰু সাধনাত উত্তীৰ্ণ হৈ শিক্ষা লাভ কৰি জগতত চিৰস্মৰণীয় হৈছিল।

জ্ঞান বিদ্যা লাভ কৰাৰ প্ৰথম আহিলা হৈছে - মন, ইন্দ্ৰিয়গণ আৰু প্ৰথমে চিনি পাব লাগিব নিজক আৰু তাকেই আত্মতত্ত্বজ্ঞান বোলা হয় ।ইয়াকে আধ্যাত্ম বুলিও কোৱা হয়।প্ৰতিজন ব্যক্তিৰে হৃদয়ত আত্মা আছে। দেহৰ ভিতৰত ইন্দ্ৰিয়গণ শ্ৰেষ্ঠ, ইন্দ্ৰিয়গণৰ ভিতৰত শ্ৰেষ্ঠ মন, মনতকৈ বুদ্ধি শ্ৰেষ্ঠ, বুদ্ধিতকৈ আত্মা শ্ৰেষ্ঠ। সেই বাবেই উপনিষদৰ কালৰ শিক্ষাৰ্থীসকলে আত্মাতত্ত্ব বিচাৰি ব্যাকুল হৈছিল। তেতিয়া মহৰ্ষি সাধক সকল, প্ৰজাতিৰ ওচৰলৈ গৈছিল।প্ৰথমে দেৱতাসকলে ইন্দ্ৰক আৰু দানৱসকলে বিৰোচনক আত্মাতত্ত্বক বা ব্ৰহ্মবিদ্যা আয়ত্ত কৰিবলৈ প্ৰজাপতি ঋষিৰ কাষ চাপিছিল। কিয়নো ব্ৰহ্মবিদ্যা শিকিব পাৰিলে সৰ্ব কামনা সিদ্ধি হয়। গতিকে ধৈৰ্য, সাহস, আৰু একাগ্ৰতাৰে শিক্ষাগুৰুক সন্মানসহকাৰে শিৰত তুলি ল'ব পাৰে, তেন্তে ভৱিষ্যতে সকলো ছাত্ৰ-ছাত্ৰীয়েই একো একোজন দেশৰ সুনাগৰিক হ'ব পাৰিব।

# নিজৰ পিতৃক হত্যা কৰিব বিচৰা কবিজন





নিবন্ধ

হীৰক বৰুৱা

কালিদাসৰ পৰৱৰ্তী কালৰ এগৰাকী ল'ৰাই কালিদাসৰ দৰেই সুন্দৰ সুন্দৰ কবিতা লিখিছিল। তেওঁৰ সমসাময়িক সকলো পাঠক-পাঠিকাই তেওঁক প্ৰশংসা কৰিছিল। কেৱল তেওঁৰ বাপেকেহে তেওঁৰ কবিতাবোৰ "একো ভাল কবিতা হোৱা নাই" বুলি যাকে-তাকে কৈ ফুৰিছিল। এই কথাটো জানি ল'ৰাজনৰ পেটে পেটে বহুত খং উঠিছিল বাপেকলৈ। বাপেকেও অনবৰতে তাক কেটেৰা-জেঙেৰা কৰি ক'বলৈ ধৰিছিল- " তই গইবোৰ কি কবিতা লিখিছ' ? একো ভাল কবিতা হোৱা নাই। "

বাপেকৰ এনেকুৱা কথাত অতিষ্ঠ হৈ এদিন ল'ৰাজনে বাপেকক হত্যা কৰাৰ বাবে সংকল্প কৰিলে। সেই মতেই সি এটা ডাঙৰ আৰু গধুৰ শিল লৈ পাকঘৰৰ চাঙৰ ওপৰত মাক-বাপেকে গম নোপোৱাকৈ উঠি আছিল আৰু ভাত খাই থাকোঁতেই বাপেকৰ মূৰৰ ওপৰত সেই শিলটো পেলাই দি বাপেকক নিধন কৰিবলৈ ছেগ বুজি ৰৈ আছিল। সময়ত মাকে তাৰ দেউতাকক ভাত সজাই দি কৈছিল-" আপুনি বাৰু ল'ৰাটোৱে লিখা কবিতাবোৰ একো কবিতা হোৱা নাই বুলি কিয় কৈ ফুৰিছে? সি বৰ দুখ পাইছে। চবেই তাৰ কবিতা পঢ়ি তাক প্ৰশংসা কৰিছে আৰু আপুনি তাক ইতিকিং কৰি ফুৰিছে কিয়? "

ইফালে ল'ৰাজনে বাপেকৰ মূৰত সেই শিলটো পেলাবলৈ যো-জা কৰাৰ সময়তে তাৰ মাকক উদ্দেশ্যি বাপেকে কৈছিল -" তোমাক মই সঁচাকৈয়ে কৈছোঁ, তাক মই বহুত ভাল পাওঁ। তাক লৈ মই গৌৰৱান্বিত। কিন্তু তাৰ মুখৰ আগত মই যদি প্ৰশংসা কৰোঁ, সি তেতিয়া গপতে ওফন্দি পৰিব বুলিহে মই তাৰ প্ৰশংসা তাৰ আগত নকৰোঁ। তদুপৰি এতিয়াই যদি মই বাপেক হৈ তাৰ কবিতাৰ প্ৰশংসা কৰোঁ, তেনেহ'লে সি আৰু ভাল কবিতা লিখিব নোৱাৰা হ'ব। "


পিতৃৰ মুখত সেই কথাষাৰ শুনাৰ লগে লগে ল'ৰাজন পাকঘৰৰ চাঙৰ পৰা নামি আহিল আৰু বাপেকক ভৰিত ধৰি ক্ষমা খুজিলে।

সেই ল'ৰাজনেই হ'ল- কালিদাসোত্তৰ যুগৰ বিখ্যাত সংস্কৃত কবি ভাৰবি।

কালিদাসোত্তৰ যুগৰ শক্তিমান কবিসকলৰ ভিতৰত ভাৰবি প্ৰথম আৰু সৰ্বশ্ৰেষ্ঠ। ৰজা দ্বিতীয় পুলকেশীয়ে ৬৩৪ খৃষ্টাব্দত দিয়া 'আইহল শিলালিপি'ত কালিদাসৰ সৈতে ভাৰবিক প্ৰথিতযশা কবি বুলি উল্লেখ কৰা হৈছে। ভাৰবিৰ নামটো সেই শিলালিপিত কালিদাসৰ সৈতে উল্লিখিত হোৱাৰ বাবেই ভাৰবিৰ সুনাম সেই সময়ত সৰ্বত্ৰতে বিয়পি পৰিছিল। ইয়াৰ ৎপৰা অনুমান কৰিব পাৰি যে ৫৫০ খৃষ্টাব্দৰ আশে-পাশে ভাৰবিৰ উদ্ভৱ হৈছিল। তেওঁৰ পিতাকৰ নাম আছিল কৌশিক গোত্ৰীয় নাৰায়ণস্বামী। ভাৰবিৰ পিতৃদত্ত নাম আছিল দামোদৰ। উত্তৰ-পশ্চিম ভাৰতৰ আনন্দপুৰ নামে ঠাইত ভাৰবিৰ পূৰ্বপুৰুষসকলে বসবাস কৰিছিল। পৰৱৰ্তীকালত তেওঁলোক তাৰ পৰা উঠি আহি দাক্ষিণাত্যত বসবাস কৰিবলৈ লৈছিল। তাৰে ৰাজকুমাৰ বিষুণ্ডবৰ্ধনৰ সৈতে মৃগয়ালৈ গৈ ভাৰবিয়ে ৰাজকুমাৰৰ সৈতে মাংস ভক্ষণ কৰিবলৈ বাধ্য হৈছিল আৰু সেইসূত্ৰে হোৱা পাপ দূৰ কৰাৰ কাৰণে তেওঁ তীৰ্থভ্ৰমণ কৰিবলৈ গৈছিল। সেই ৰাজকুমাৰ গৰাকী আছিল কাঞ্চীৰাজ সিংহবিষুণ্ডৰ পুত্ৰ মহেন্দ্ৰ বিক্ৰম। এই মহেন্দ্ৰ বিক্ৰমৰ লগতে ভাৰবিয়ে কিছু দিনৰ কাৰণে বসবাস কৰি আছিল বুলিও জনা যায়।

ভাৰবিয়ে ৰচা মহাকাব্যখন হ'ল-'কিৰাতাৰ্জুনীয়'। পঞ্চ মহাকাব্যৰ ভিতৰত এই মহাকাব্যখনো এখন।

ভাব আৰু ভাষাই অপৰূপ প্ৰকাশভংগীৰ সৈতে যুক্ত হৈ ভাৰবিৰ এই কাব্যখনিত যি এক নতুন মাধুৰীৰ সৃষ্টি কৰিছে, সেইয়া মহাকবি হ'লেও কালিদাসৰ কাব্যত দেখা নেযায়। সেয়ে সংস্কৃত সাহিত্যত ভাৰবিক 'শব্দৰ যাদুকৰ' বুলি অভিহিত কৰা হৈছে।





# দাম্পত্য জীৱন আৰু স্বামী-স্ত্ৰী



নিবন্ধ

দিলীপ তাঁতী

সামাজিক মাংগলিক বিবাহ অনুষ্ঠানৰ যোগে পুৰুষ আৰু প্ৰকৃতি যুগ্ম জীৱনত ভৰি দিয়ে। সুখী দাম্পত্য জীৱন যাপন কৰিবলৈ স্বামী স্ত্ৰীয়ে মানি চলিব লগিয়া হয় বিশেষ দায়িত্ব আৰু কৰ্তব্য। দাম্পত্য জীৱন সুখী কৰাত পুৰুষৰ ভূমিকাই প্ৰধান। কিন্তু পুৰুষজনে দায়িত্ব পালন কৰিবলৈ গৈ অনেক সময়ত ক্লান্ত হৈ পৰা দেখা যায়। স্বামীয়ে যদি অসহযোগিতা কৰে, পত্নীৰ প্ৰতি থকা দায়িত্ব পালন নকৰে তেনেহ'লে অকল পত্নীৰ গুণেৰে দাম্পত্য জীৱন কেতিয়াও সুখী নহয়। এক সুখী দাম্পত্য জীৱন গঢ়িবলৈ পুৰুষ আৰু প্ৰকৃতি উভয়ে অসীম ধৈৰ্য, শুদ্ধ সিদ্ধান্ত, দুয়ো এজনে আনজনৰ প্ৰতি আনুগত্য, সহনশীল, সুপৰামৰ্শেৰে এক সুখী দাম্পত্য জীৱন গঢ়ি তুলিবলৈ সক্ষম হ'ব পাৰি।

অবিশ্বাস আৰু সন্দেহে দাম্পত্য জীৱনত ঘুণে ধৰে। একোখন সুখৰ সংসাৰ ভাঙি ঠানবান হৈ যায়। স্বামীয়ে ভাল পোৱাখিনিক পত্নীয়ে আৰু পত্নীয়ে ভাল পোৱাখিনিক স্বামীয়ে শ্ৰদ্ধা কৰিব পাৰিব লাগিব। একেদৰে স্বামীয়ে বেয়া পোৱাখিনিক আৰু পত্নীয়ে বেয়া পোৱাখিনি উভয়েই আপোচ কৰিবলৈ শিকিব লাগিব। এটা কথা দাম্পত্য জীৱনত সদায়ে মনত ৰখা উচিত প্ৰেমেহে সুখী সংসাৰ গঢ়িব পাৰে।

পুৰুষতান্ত্ৰিক সমাজ এখনত প্ৰেম, বিবাহ, পৰিয়াল, সন্তান আৰু সুখী ভৱিষ্যত জীৱনৰ প্ৰধান চালিকাশক্তি হ'ল - - - নাৰী। নাৰীয়ে সংসাৰ গঢ়িবও পাৰে , ভাঙিবও পাৰে।

এগৰাকী আদৰ্শৱান পত্নীৰ দায়িত্ব স্বামীক সু প্ৰতিষ্ঠিত কৰিবলৈ উৎসাহ আৰু উদ্দীপনাৰে স্বামীৰ কৰ্ম তৎপৰতা বৃদ্ধি কৰিব লাগে। প্ৰতি গৰাকী নাৰীয়েই এই গুনৰ অধিকাৰী হোৱাটো নিতান্তই প্ৰয়োজনীয়। এই গুনেৰে পৰিপূৰ্ণ এগৰাকী পত্নীয়ে স্বামীক কৰ্ম ক্ষেত্ৰত আগুৱাই নিয়াত সহায়ক হ'ব পাৰে।

এগৰাকী আদৰ্শৱান পত্নী হ'বলৈ হ'লে বহু কিছু গুণৰ অধিকাৰী হ'ব লাগে । যেনে --- স্বামী প্ৰিয়া, সন্তান প্ৰিয়া, সতী, সুস্বভাৱী, ঘৰ ধৰোঁতা, বিবেচক, আৰু নিজৰ স্বামীৰ বশীভূত হোৱা উচিত। পত্নীয়ে পৰিয়ালৰ সকলো সদস্যক স্নেহ বন্ধনেৰে বান্ধি ৰখা আৰু স্বামীক সন্মান দেখুওৱা উচিত।

এজন বিবাহিত পুৰুষ হৈছে ঘৰখনৰ ধৰণী, উপাৰ্জনকাৰী, চালিকাশক্তি। প্ৰতিজন পুৰুষেই অবিশ্ৰান্ত, অক্লান্তভাৱে পৰিয়ালৰ সকলো সদস্যৰ সুখ, শান্তিৰ বাবে অহোপুৰুষাৰ্থ কৰে। পুৰুষ প্ৰধান সমাজত প্ৰতিজন পুৰুষেই নিজৰ পত্নীৰ আগত হেয় প্ৰতিপন্ন হ'ব নোখোজে। এগৰাকী বুদ্ধিমতী পত্নীৰ দৰে নিজৰ স্বামীক উৎসাহ, সহযোগিতা, অনুপ্ৰেৰণা যোগোৱাৰ পৰিৱৰ্তে --- নিজৰ স্বামীক সকলো সময়তে সমালোচনা কৰি থাকে, অকল ভুলবোৰ আঙুলিয়াই থাকি স্বামীৰ মনোবল দুৰ্বল কৰি পেলোৱাৰ অপচেষ্টা কৰে, স্বামীৰ অবিশ্বাসৰ পাত্ৰ হয়। তেতিয়াই এগৰাকী প্ৰকৃত পুৰুষৰ অন্তৰত সংসাৰৰ অসন্তুষ্টিয়ে বাহ লয়।

বৰ্তমান সমাজত একাংশ পত্নীয়ে স্বামীৰ ব্যক্তিগত অসুবিধা বা কৰ্মস্থানৰ কোনো অসুবিধাৰ কথা শুনিব নিবিচাৰে। স্বামীয়ে হয়তো কেতিয়াবা কৰ্মক্ষেত্ৰৰ কোনো জটিল মানসিক সমস্যাৰ কথা নিজৰ পত্নীক কৈ নিজৰ মন পাতলাব খোজে যদি পত্নীৰ পৰা কোনো সঁহাৰি নাপায় তেতিয়া তেওঁ মানসিক সমস্যাটো নিজে অকলে বহন কৰিব লগা হয়। সমস্যাত ভোগা স্বামী এজনৰ ক্ষেত্ৰত নিজৰ পত্নীয়েই হ'ব পাৰে সুপৰামৰ্শদাতা, সহায়ক, সংগিনী। ইয়াৰ পৰিৱৰ্তে পত্নীগৰাকীয়ে যদি সহযোগিতাৰ পৰিৱৰ্তে আঁতৰি থাকিব বিচাৰে তেতিয়াই এজন পুৰুষৰ ক্ষেত্ৰত সাংসাৰিক জীৱনত অসন্তুষ্টিৰ কাৰক হ'ব পাৰে।

বৰ্তমানৰ আধুনিক সভ্যতা আদিম উলংগ সভ্যতাতকো চেৰ পেলোৱা পৰিলক্ষিত হয়। ভাৰতীয় পৌৰাণিক পৰম্পৰা, নীতি আদৰ্শ, মান-সন্মান, সভ্যতা- সংস্কৃতি মৃত্যুৰ গৰাহত। বিলাস বহুল জীৱন যাপনত আধুনিক নাৰী সমাজ পশ্চিমীয়া সভ্যতা-সংস্কৃতিৰ প্ৰতি আকৰ্ষিত। এনে ক্ষেত্ৰত দাম্পত্য জীৱনত বিষাদৰ ৰাগ ব'বলৈ আৰম্ভ কৰে। স্বামীৰ অমতত পত্নী সৰগীয় সুখৰ সন্ধানত ধাৱিত হয়। এনে ক্ষেত্ৰত দাম্পত্য জীৱনত স্বামীৰ মনত সাংসাৰিক অসন্তুষ্টিয়ে ক্ৰিয়া কৰে।

বৰ্তমান সমাজত বহু দম্পতীৰ দাম্পত্য জীৱন বিষময় হোৱা পৰিলক্ষিত হয়। উচ্চ শিক্ষিত, উচ্চপদস্থ কৰ্মত নিয়োজিত স্বামীৰ ক্ষেত্ৰত যদি পত্নী নিম্ন-শিক্ষিত বা অশিক্ষিত হয় তেতিয়া পত্নী হীনমন্যতাত ভোগে আৰু দাম্পত্য জীৱনত স্বামীৰ ককৰ্থনা শুনিব লগা হয়। বা পত্নী উচ্চ শিক্ষিত আৰু উচ্চ স্থানত কৰ্মৰত হয় আৰু স্বামী, পত্নীতকৈ কম শিক্ষা আৰু কৰ্মস্থান যদি নিম্ন মানৰ হয় তেতিয়াও দাম্পত্য জীৱনত অশান্তিয়ে বিৰাজ কৰা পৰিলক্ষিত হয়। দুয়োটা প্ৰক্ৰিয়াতে পুৰুষজনৰ সাংসাৰিক অসন্তুষ্টিয়ে দেখা দিয়াৰ সম্ভাৱনা প্ৰকট হৈ পৰে।

**দুয়োজনৰ মাজত প্ৰত্যেকেই একান্তই অধিক সময় দিয়া। অধিক সময় দুয়োজনে একেলগে কটালে দুয়োজনে জনাৰ ও বুজাৰ সহায়ক হয়। কিন্তু দুয়োৰে মাজত যেতিয়া নৱাগত আহি পৰে, পত্নী সন্তানৰ প্ৰতি অধিক সময় অতিবাহিত কৰিব লগা হয় তেতিয়া পতি পত্নীৰ মাজত দুৰত্ব বাঢ়িবলৈ আৰম্ভ কৰে। স্বামীৰ ইচ্ছা অনুযায়ী যদি পত্নীয়ে সহযোগ কৰিব নিবিচাৰে তেতিয়াই স্বামীৰ অন্তৰত অসন্তুষ্টিয়ে ক্ৰিয়া কৰা দেখা যায়। দুয়োখন ঘৰৰ পিতৃ মাতৃৰ অনিচ্ছা সত্বেও যেতিয়া কম বয়সৰ পাত্ৰ পাত্ৰীয়ে নিজ ইচ্ছা অনুসৰি ক্ষন্তেকীয়া ভাল পোৱাৰ আনন্দত বশীভূত হৈ যুগ্ম জীৱন আৰম্ভ কৰে**

দাম্পত্য জীৱনত স্ত্ৰীয়ে যদি অন্য ঘৰৰ বয়-বস্তুৰ লগত নিজৰ ঘৰৰ বয়-বস্তুৰ তুলনা কৰে তেতিয়া দাম্পত্য জীৱনত অশান্তিয়ে দেখা দিয়ে। মহিলাসকলৰ স্বভাৱগত এটা বিশেষ গুণ পৰিলক্ষিত হয় --- ওচৰৰ ঘৰৰ বা দূৰণিৰ কাৰোবাৰ ঘৰত চকুত লগা বা মনৰ পচন্দৰ কিবা বস্তু দেখাৰ লগে লগে নিজৰ ঘৰতো সেই পদ বস্তু পাবৰ হাবিয়াস কৰে। বস্তু বিধৰ মূল্য স্বামীৰ ক্ৰয় কৰাৰ সীমাৰ বাহিৰতে থাকক কিয় তেতিয়াও পত্নীয়ে স্বামীক ক্ৰয় কৰিবলৈ খাটনি ধৰে। পত্নীৰ এনে জেদী স্বভাৱৰ বাবে কেতিয়াবা স্বামীৰ মনত সাংসাৰিক অসন্তুষ্টিয়ে দেখা দিয়ে।

দাম্পত্য জীৱনত সুখৰ আধাৰ হৈছে --- অৰ্থ। ধন সম্পদেই স্বামী-স্ত্ৰীক সুখী জীৱন যাপনত সহায় কৰে। ঘৰখনৰ অৰ্থ-উপাৰ্জক যদি অকল স্বামীয়েই হয় আৰু পত্নী যদি অত্যন্ত খৰচী হয়, কষ্ট উপাৰ্জিত ধন অবাবত ব্যয় কৰে তেতিয়া দাম্পত্য জীৱনত অশান্তিৰ কাৰক হৈ পৰে।

সামাজিক বান্ধোনেৰে দাম্পত্য জীৱন আৰম্ভ কৰাৰ মুখ্য উদ্দেশ্য হৈছে --- সংসাৰ চক্ৰৰ পৰিক্ৰমা। দুজনৰ যুগ্মত নৱাগতৰ আদৰণি। এই সংসাৰ চক্ৰৰ পৰিক্ৰমাত যদি পত্নীয়ে সোনকালে দায়িত্ব ল'বলৈ অস্বীকাৰ কৰি এটা দীৰ্ঘ সময়লৈ আঁতৰি থাকিব বিচাৰে তেতিয়াই স্বামী-স্ত্ৰীৰ মাজত বিষাদৰ ঢল বাগৰিবলৈ আৰম্ভ কৰে।

স্বামী-স্ত্ৰীৰ মাজত সু সম্পৰ্ক অধিক মজবুত কৰাৰ ক্ষেত্ৰত আৰু এটা গুৰুত্বপূৰ্ণ উপায় হ'ল --- দুয়োজনৰ মাজত প্ৰত্যেকেই একান্তই অধিক সময় দিয়া। অধিক সময় দুয়োজনে একেলগে কটালে দুয়োজনে জনাৰ ও বুজাৰ সহায়ক হয়। কিন্তু দুয়োৰে মাজত যেতিয়া নৱাগত আহি পৰে, পত্নী সন্তানৰ প্ৰতি অধিক সময় অতিবাহিত কৰিব লগা হয় তেতিয়া পতি পত্নীৰ মাজত দূৰত্ব বাঢ়িবলৈ আৰম্ভ কৰে। স্বামীৰ ইচ্ছা অনুযায়ী যদি পত্নীয়ে সহযোগ কৰিব নিবিচাৰে তেতিয়াই স্বামীৰ অন্তৰত অসন্তুষ্টিয়ে ক্ৰিয়া কৰা দেখা যায়।

দুয়োখন ঘৰৰ পিতৃ মাতৃৰ অনিচ্ছা সত্বেও যেতিয়া কম বয়সৰ পাত্ৰ পাত্ৰীয়ে নিজ ইচ্ছা অনুসৰি ক্ষন্তেকীয়া ভাল পোৱাৰ আনন্দত বশীভূত হৈ যুগ্ম জীৱন আৰম্ভ কৰে। কিছুদিনৰ পিছত যেতিয়া বাস্তৱ সংসাৰৰ লগত মুখামুখি হয় আৰু সংসাৰ চলাবলৈ অৰ্থৰ যেতিয়া উপাৰ্জন নাথাকে তেতিয়া দুয়ো নৱ দম্পতীৰ মাজত ক্ষন্তেকীয়া সুখৰ পৰিৱৰ্তে দুখৰ বুজা আহি পৰে আৰু দুয়োৰে মাজত মনোমালিন্য হোৱা পৰিলক্ষিত হয়। এনে ক্ষেত্ৰত দাম্পত্য জীৱনত অশান্তিয়ে বিৰাজ কৰিবলৈ আৰম্ভ কৰে।

শান্তিময়, মধুময় যুগ্মজীৱনৰ আধাৰ হৈছে পতি-পত্নীৰ দুয়োৰে মাজত গভীৰ আত্মবিশ্বাস থকাৰ প্ৰয়োজন। যদি কেনেবাকৈ এজনে আনজনৰ সন্দেহৰ পাত্ৰ হয় তেতিয়াই দাম্পত্য জীৱন বিষময় হৈ পৰে। বহু সময়ত দেখা যায় অন্য পুৰুষৰ প্ৰতি আকৰ্ষিত হৈ স্বামীৰ অবাধ্য হৈ সঘন অহা যোৱা, উঠা বহা কৰিবলৈ কুণ্ঠাবোধ নকৰে তেনে ক্ষেত্ৰত সুখৰ সংসাৰত দুখৰ নিজৰা ব'বলৈ ধৰে। স্বামীৰ অন্তৰত সন্দেহৰ জন্ম লয়। যুগ্মজীৱনত দুয়োৰে মাজত মনোমালিন্য হোৱা পৰিলক্ষিত হয়।

বৰ্তমানৰ আধুনিক শিক্ষিত সভ্য সমাজৰ যুগ্মজীৱনৰ দম্পতীৰ দাম্পত্য কলহৰ আৰু বহু কাৰক হয়তো থাকিব পাৰে। যিখিনি সচৰাচৰ দাম্পত্য জীৱনত অশান্তিৰ কাৰক দৃষ্টিগোচৰ হয় তাকে কিছু উল্লেখ কৰা প্ৰয়াস কৰা হৈছে। উল্লিখিত কাৰকসমূহত যদি কিবা অগ্ৰহণযোগ্য উপস্থাপন কৰা হৈছে তাৰ বাবে ক্ষমা মাৰ্জনীয়।

# বেজবৰুৱাৰ সাহিত্যত জাতীয় চেতনা



নিবন্ধ

হিমাংশু ৰঞ্জন ভূঞা

অসমীয়া ভাষা, সংস্কৃতি, জাতি গঠনৰ ভূমিকাত মহাপুৰুষ শ্ৰীশংকৰদেৱ আৰু শ্ৰীমাধৱদেৱে যি বৰঙণি আগবঢ়াই থৈ গ'ল, কালৰ কুটিল পৰিক্ৰমাত এইসমূহ পুনৰ নিঃচ্ছিন্ন হোৱাৰ পথতে লক্ষ্মীনাথ বেজবৰুৱাই পুনৰ ঠন ধৰাই তুলিছিল। সময়ৰ গতিশীল পাকচক্ৰত অসমীয়া ভাষাৰ দুৰ্যোগৰ সময়তে কেইগৰাকীমান উদাৰপ্ৰাণ খ্ৰীষ্টিয়ান মিছনেৰীৰ চেষ্টাত আৰু আনন্দৰাম ঢেকীয়াল ফুকন, গুণাভিৰাম বৰুৱা, হেমচন্দ্ৰ বৰুৱা আদি অসমৰ সুযোগ্য সন্তানৰ নেতৃত্বত অসমীয়া ভাষাৰ পুনৰ উত্থান হ'বলৈ ধৰে। এই সকলৰ আশা-আকাংক্ষাৰ বাটত চন্দ্ৰকুমাৰ আগৰৱালাৰ সম্পাদনাত আৰম্ভ হোৱা জোনাকীয়ে সোণালী দলিচা পাৰি দিয়ে। জোনাকীত নৱ চেতনাৰ উন্মেষে আধুনিক অসমীয়া সাহিত্যক বৈচিত্ৰ্যপূৰ্ণ সাহিত্য সম্ভাৰেৰে জীপাল কৰি পাশ্চাত্য সাহিত্যৰ লগত নতুন পৰিচয় কৰি দিলে। জোনাকীয়ে সৃষ্টি কৰিলে 'ৰোমান্তিক যুগ' ৰ দৰে নব্য ধাৰা। জোনাকীৰ বুকুত লক্ষ্মীনাথ বেজবৰুৱাই সাহিত্যৰ পাতনি মেলি উনবিংশ শতিকাৰ শেষ দশকৰ পৰা বিংশ শতিকাৰ ত্ৰিশৰ দশকলৈ সমগ্ৰ সময়খিনি একচ্ছত্ৰী সম্ৰাটৰ দৰে সাহিত্যৰ প্ৰধান জুমুঠিটোক দৃঢ়তাৰে ধৰি ৰাখিছিল। জোনাকীয়ে সৃষ্টি কৰা অসমীয়া সাহিত্যৰ যি নৱ উন্মেষিত যুগ বুলি পৰিচিত হৈছে তাৰে সিংহভাগ বৰঙণি বেজবৰুৱাৰ ৰচনাৱলীয়ে অধিকাৰ কৰি আছে।

অসমীয়া জাতি, ভাষা, সাহিত্য আৰু সংস্কৃতিক নতুন ৰূপেৰে নিৰ্মাণৰ সাধনাৰে ব্ৰতী হোৱা বেজবৰুৱাই গোটেই জীৱন সাহিত্যৰ বৰপথাৰখনত অসমীয়া জাতিৰ বিকাশৰ বাবেই বিবিধ সামাজিক দিশক বিষয়বস্তু হিচাপে লৈ সাহিত্য ৰচনা কৰি গ'ল। তেওঁৰ সমগ্ৰ সাহিত্য পুথি, ৰচনা, প্ৰবন্ধ আদিবোৰলৈ লক্ষ্য কৰিলে দেখা যায় যে তেওঁ গোটেই জীৱনজুৰি সৃষ্টি কৰা বিবিধ দিশৰ সাহিত্যত এনেকুৱা এক বিষয় নাই যিটো সামাজিক অথবা সময়ৰ পৰিপ্ৰেক্ষিতত অপ্ৰাসংগিক।

লক্ষ্মীনাথ বেজবৰুৱাই অতি সৰুকালৰে পৰা ঘৰুৱা পৰিবেশত জাতীয় সত্তাৰ শিক্ষা পাইছিল। তেওঁৰ প্ৰায়বোৰ লেখনিতে জাতীয়তাবোধৰ নিদৰ্শন পোৱা যায়। যদিও কলিকতাত থাকি লক্ষ্মীনাথ বেজবৰুৱাই পাশ্চাত্য শিক্ষাৰে শিক্ষিত হৈছিল, তেওঁৰ অন্তৰত সন্তৰ্পণে শুই থকা জাতীয় সত্তাটোৰ মৃত্যু হোৱা নাছিল। বৰং পাশ্চাত্য শিক্ষাই এই সত্তাক তীব্ৰ ৰূপত প্ৰস্ফুটিত হোৱাত সাৰ পানীহে যোগান ধৰিলে। অসমীয়া জাতি, ভাষা সংস্কৃতিক অকৃত্ৰিমভাৱে ভাল পোৱাৰ স্বাৰ্থতেই বেজবৰুৱাই আধুনিক আৰু বৈজ্ঞানিক দৃষ্টিভংগীৰে ভাষা-সাহিত্য-সংস্কৃতিক নতুন ৰূপত সজাই তোলাৰ চেষ্টা কৰিলে। অসমীয়া জাতীয় সত্তাৰ ধাৰণা তথা অসমীয়া বৌদ্ধিক সমাজত লক্ষ্মীনাথ বেজবৰুৱাই জাতীয়তাবোধৰ নৱ উন্মেষ ঘটাইছিল। তেওঁৰ অমৰ সৃষ্টি 'অ'



মোৰ আপোনাৰ দেশ', 'অসম সংগীত', 'কদমকলি', 'পদুমকুঁৱৰী', চুটিগল্পৰ সংকলনসমূহ, নাটক, কৃপাবৰী ৰচনা, মহাপুৰুষ শংকৰদেৱ আৰু মাধৱদেৱৰ বিষয়ক গ্ৰন্থ- এই সমূহত জাতীয়তাবাদী চেতনাসমূহ অতি সচেতনতাৰে প্ৰকাশ কৰিছে। তেওঁ (ত্ৰয়োদশ পৃষ্ঠালৈ)

# জীৱনৰ এটা অপৰিহাৰ্য অংগ ঃ বাৰ্তালাপ



নিবন্ধ

নীলাঞ্জনা পাচনি

বাৰ্তালাপ মানুহৰ সামাজিক জীৱনশৈলীৰ এক অপৰিহাৰ্য অংগ। আমি কথা-বতৰাৰ দ্বাৰাই মনৰ ভাববোৰ প্ৰকাশ কৰোঁ। যদি আমি কাৰোৰে লগত কিবা বিষয়ত একো কথা নাপাতোঁ, আমি কি বিচাৰিছোঁ বা দৃষ্টিভংগী কেনেকুৱা, কোনোৱে গম নাপাব। এইখিনিতে এটা প্ৰয়োজনীয় বিষয় হ'ল, আমি কেনেদৰে মনৰ ভাববোৰ উন্মুক্ত কৰোঁ! চুটিকৈ, দীঘলকৈ, অস্পষ্টকৈ, খোলাকৈ, সাংকেতিক ভাষাত নে অংগী-ভংগীৰে! কিছুমান লোকে ভাবি থাকে এটা, মুখেৰে কয় এটা ! কিছুমানে আকৌ একো নভবাকৈয়ে মুখলৈ যি আহে তাকে ফচ ফচ কৈ কৈ দিয়ে। এইবিধ হৈছে খোলা মনৰ মানুহ। কিছুলোকে আকৌ আধাখিনি কথা কৈ বাকীখিনি মনৰ ভিতৰতে সামৰি থৈ দিয়ে। মানে স্পষ্টকৈ খৰচি মাৰি একো নকয়। তেনেলোকে আকৌ মনে মনে আশা কৰে, সন্মুখত থকা জনে নোকোৱাকৈয়ে তেওঁৰ মনৰ ভাব বুজি পাওক। কিন্তু সকলো মানুহেইতো সৰ্বজান নহয় যে

"হা দৈ বোলোতে হাড়ডাল ওলাল;
এতিয়াহে ফৰিঙৰ মৰণৰ কাল।" বুলি কৈ ৰজাৰ হাতৰ মুঠিত থকা ফৰিংটো উলিয়াই দি নগদ চিকা ৰূপ এসোপা বুটলিব!



এটা কথা সৰ্বজনবিদিত যে আমি এযাৰ কথা কোৱাৰ আগতে দহবাৰ ভাবিব লাগে। কিন্তু বাস্তৱত জানো সেইটো হয় ! বহু সময়ত আমি নভবা-নিচিন্তকৈ কথা কৈ বা কাৰোবাক কথা দি বিপদত পৰোঁ। কেতিয়াবা আকৌ সত্য কথা কলেও হিতে বিপৰীত হয়। মানে আপুনি কাৰোবাৰ কিবা ভুল এটা দেখি খোলা মনেৰে দোষটো আঙুলিয়াই দি শুধৰাবলৈ ক'লে। কিন্তু ব্যক্তিজনে ভুল অৰ্থত কথাটো লৈ আপুনি মিছাই দোষাৰোপ কৰিছে বা জ্বলনত কৈছে বুলি হিংসাত জ্বলি-পকি আনৰ আগত আপোনাৰ বদনাম গোৱাত লাগি গ'ল। এই চাম মানুহৰ পৰা সদায় সাৱধানে থকা উচিত। কাৰণ এই মানুহচামে অহংকাৰত ডুব গৈ নিজৰ সৰ্বনাশ নিজেই মাতি আনে। তেনে মানুহৰ কেতিয়াও শুধৰণি নহয়। সদায় ঘৰৰ আন্ধাৰ চুকত থকা কেঁচুমতাৰ দৰে লুকাই থাকি যাব।

কেতিয়াবা পৰিস্থিতি বা পৰিৱেশ অনুকূল নহ'লে, আমি অলপ চাই -চিতি এটা-দুটা কথা ক'বলগীয়া হয়। যেনে -- হস্পিটালত অসুস্থলোকৰ আগত, মৃতকৰ ঘৰত বা শোকসভা এখনত আমি মনেৰে ভবা কথাবোৰ মুকলিকৈ কৈ দিব নোৱাৰোঁ। মানে তেনে পৰিৱেশত খোলা-মেলা ধৰণৰ কথা-বাৰ্তাই শোভা নাপায়। তেনে ঠাইত গহীন -গম্ভীৰভাৱে, জুখি-মাখি কথা ক'লেহে বক্তাজনৰ বা পৰিৱেশটোৰ মৰ্যাদা ৰক্ষা পৰে।

সেইদৰে ধৰ্মীয় পৰিৱেশতো বৰ চিঞৰি-বাখৰি বা ডাঙৰকৈ হাঁহি মাৰি কথা ক'লে ভাল নালাগে। কাৰণ তেনে গুৰু-গম্ভীৰ আধ্যাত্মিক পৰিৱেশত সকলোৱে নিৰ্জনতাৰ মাজেৰে পৰমেশ্বৰক উপাসনা কৰিবলৈ বিচাৰে। মনৰ কিবা আশা-আকাংক্ষা থাকিলে ঈশ্বৰক নিৰলে নিবেদন কৰিবলৈ বিচাৰে। গতিকে তেনে পৰিৱেশতো গহীন ভাবৰ কথা ক'লেহে ভাল লাগে।

কেতিয়াবা আকৌ কোনো মানুহৰ লগত কথা পাতিলে ইমান সুন্দৰকৈ, পুংখানুপুংখৰূপে আৰু ধীৰে-সুস্থিৰে বিষয়বস্তুৰ উপস্থাপন কৰে যে এনে লাগে যেন তেনে বাৰ্তালাপ শেষেই নহওক। তেনে লোকৰ লগত কথা পাতি বহু নজনা কথাও জানিব পাৰি, শিকিব পাৰি। আনকি হতাশা বা নিৰাশাৰে ভৰি থকা মনটো যেন বৰষুণৰ পাছত ওলোৱা কোমল ৰ'দজাকৰ দৰে পোহৰ হৈ উঠে। বাৰে বাৰে সেই ব্যক্তিজনৰ লগত কথা পাতিবলৈ মন যায়। তেনে মানুহক লগ পোৱাটোও জীৱনৰ বাবে আশীৰ্বাদ। আপুনি বাৰু লগ পাইছেনে এনে মানুহ ?

"কথাতে বঁটা পায়, কথাতে কটা যায় " - এই কথাষাৰ যদি আমি সামাজিক বা ব্যক্তিগত জীৱনতো মানি চলো, তেন্তে বহু অপ্ৰীতিকৰ পৰিস্থিতিৰ পৰা হাত সাৰিব পাৰোঁ। এইখিনিতে শংকৰদেৱৰ গুৰুজনাৰ কোচবিহাৰত থাকোঁতে ৰাজৰোষত পৰা ঘটনাটো মনলৈ আহিছে। তেখেতৰ বিৰুদ্ধে কোচ ৰজা নৰনাৰায়ণক ৰাজসভাৰ ব্ৰাহ্মণ পণ্ডিতসকলে গোচৰ দিলেগৈ যে ক'ৰবাৰ বিধৰ্মী, উন্মাদ এজন আহি এই অঞ্চলৰ প্ৰজা সকলক পূজা-পাতল, যাগ-যজ্ঞ কৰিবলৈ মানা কৰি কিবা অদ্ভুত নীতি-নিয়ম উলিয়াইছে। এইজনে হিন্দু ধৰ্ম বিধস্ত কৰিছে। তেতিয়া সেনাই গুৰুজনাক আনি ৰাজসভাত নৰনাৰায়ণ আৰু বীৰ চিলাৰায়ৰ সন্মুখত হাজিৰ কৰালেহি। কিন্তু অগাধ পাণ্ডিত্যৰ গৰাকী, শান্ত-শিষ্ট, বিনম্ৰতাৰ প্ৰতীক শংকৰদেৱৰ মোহনীয় বাক-চাতুৰ্যত ৰজা মোহিত হৈ তেখেতক সাষ্টাংগে প্ৰণাম জনালে আৰু ৰাজসভাত সসন্মানেৰে বিদ্বান পণ্ডিতৰ শাৰীত অধিষ্ঠিত কৰিলে। পিছলৈ কোচ ৰজাই সপৰিয়ালে গুৰুজনাৰ ওচৰত শৰণ ল'ব খুজিছিল যদিও তেৰাৰ বৈকুণ্ঠপ্ৰয়াণ হোৱাত (চতুৰ্দশ পৃষ্ঠালৈ)

### কৰণ জোহৰৰ প্ৰথম ৱেব চিৰিজ

## ১৯৮৪ চনৰ ভূপালৰ গেছ দূৰ্ঘটনাক লৈ

# দ্য ৰে’লৱে মেন



ছাৰ বচাওক, এই চহৰখন বচাওক’, ‘ভূপাল আগ্নেয়গিৰিৰ মুখত বহি আছে’, ‘নুবুজিলে অৱশেষত নোহোৱা হৈ যাব’, এই তিনিটা শিৰোনাম ভূপালৰ সাংবাদিক ৰাজকুমাৰ কেছৱানীয়ে দুবছৰীয়া বাতৰিত প্ৰকাশ কৰিছিল মহানগৰীত সংঘটিত ভয়ংকৰ গেছ দুৰ্ঘটনাৰ পূৰ্বে। ‘ৰাপত’ৰ বাতৰিত পোষ্ট কৰা হৈছে। মাত্ৰ দুবছৰ পূৰ্বে ক’ৰ’ণা সংক্ৰমণৰ সময়ছোৱাত ক’ৰ’ণাৰ বিধ্বংসী সহ্য কৰিব নোৱাৰি কেছৱানীয়ে শেষ নিশ্বাস ত্যাগ কৰে। ইয়াৰ আগতে প্ৰায় ৯ বছৰ আগতে তেওঁৰ অক্লান্ত প্ৰচেষ্টাত ‘ভূপাল: বৰষুণৰ বাবে এক প্ৰাৰ্থনা’ এখন ছবিও নিৰ্মাণ কৰা হৈছিল। মনোযোগী চিনেমা দৰ্শকেও এই ছবিখন চালে। এতিয়া মধ্যপ্ৰদেশৰ বিধানসভা নিৰ্বাচনৰ ভোটদানৰ ঠিক পিছদিনা নেটফ্লিক্সত মুক্তি পালে ৱেব ছিৰিজ ‘দ্য ৰেলৱে মেন’। আৰু, নেটফ্লিক্সে ভোটদানৰ পূৰ্বে ইয়াক মুকলি নকৰাৰ এক অতি প্ৰশংসনীয় সিদ্ধান্ত লৈছিল, কাৰণ এই ধাৰাবাহিকখনত মধ্যপ্ৰদেশৰ ৰাজনৈতিক পৰিৱেশত নতুন ধুমুহাৰ সৃষ্টি কৰিব পৰা সকলো বস্তু আছে। মধ্যপ্ৰদেশৰ ৰাজধানী ভূপালত বসতিস্থলৰ ঠিক প্ৰান্তত ইউনিয়ন কাৰ্বাইডক কাৰখানা স্থাপনৰ অনুমতি কোনে দিলে? এই সন্দৰ্ভত দীৰ্ঘদিন ধৰি বিতৰ্ক চলি আহিছে। চৰকাৰী নিৰাপত্তাৰ মাজতে এই গেছ দুৰ্ঘটনাৰ বাবে দায়ী আমেৰিকান বিষয়াজনে কেনেকৈ দেশ এৰি যাবলৈ সক্ষম হ’ল? ইয়াৰ পৰাই ধাৰাবাহিকখন আৰম্ভ হয়। সাংবাদিক কেছৱানীৰ পৰা অনুপ্ৰাণিত চৰিত্ৰত অভিনয় কৰি ছানী হিন্দুজাৰ দৃষ্টিকোণৰ পৰা এই ধাৰাবাহিকখন আগবাঢ়িছে। এই কাৰখানাত গেছ নিৰ্গত হোৱাৰ বাবে কেছৱানীৰ এজন বন্ধুৰ মৃত্যু হয়। একেটা দুৰ্ঘটনাৰ তদন্তৰ সময়তো আৰক্ষী আৰু প্ৰশাসনৰ লক্ষ্য হৈ পৰে ছানী হিন্দুজাৰ চৰিত্ৰ। আনহাতে, ষ্টেচন মাষ্টৰৰ কাহিনী। তেওঁ পুত্ৰক চৰকাৰী চাকৰি এটা কৰিবলৈ প্ৰেৰণা দিছে, পুত্ৰই ইউনিয়ন কাৰ্বাইডৰ চাকৰিটো আকৰ্ষণীয় বুলি বিবেচনা কৰিছে। বিধৱা মাতৃৰ (চতুৰ্দশ পৃষ্ঠালৈ)










# নলবাৰীত হেঙুলৰ অভিলেখ



২০০৮-০৯ নাট্যবৰ্ষত অসমৰ চুপাৰষ্টাৰ ৰবি শৰ্মাক নায়ক হিচাপে লৈ হেঙুল থিয়েটাৰে মঞ্চস্থ কৰিছিল অভিজিত ভট্টাচাৰ্য ৰচিত চকু নাটকখন। ১৪ টা বছৰৰ মুৰত পুনৰ মঞ্চস্থ হৈছে হেঙুল থিয়েটাৰৰ ব্যৱসায়িকভাৱে সফল নাটক 'চকু'। সেই নাট্যবৰ্ষতো সফল হোৱা নাটকখন কিছু সালসলনি কৰি চলিত ২০২৩-২৪ নাট্যবৰ্ষতো হেঙুল থিয়েটাৰৰ প্ৰযোজক সংকল্পজিত হাজৰিকাৰ পৰিচালনাৰে মঞ্চস্থ কৰা হৈছে, একেই ৰবি শৰ্মাকে নায়ক হিচাপে লৈ। ইতিমধ্যেই অসমৰ উজনি, মধ্য আৰু নামনি অসমৰ বিভিন্ন স্থানত একোটা নিশাত দুটা, তিনিটাকৈ দৰ্শনীৰে দৰ্শকৰ বিপুল সঁহাৰি লাভ কৰিছে নাটকখনে। এখন চুপাৰহিট নাটকলৈ উত্তৰিত হৈছে চকু। প্ৰযোজনাৰ ক্ষেত্ৰত চূড়ান্ত পেছাদাৰী ধৰণে মঞ্চস্থ কৰা নাটকখনৰ চমকপ্ৰদ উপস্থাপনে দৰ্শকক প্ৰেক্ষাগৃহত মোহাচ্ছন্ন কৰি ৰখা পৰিলক্ষিত হয়। বিশেষকৈ ১৪ বছৰ পূৰ্বেই পলাশ সূৰ্য্য গগৈয়ে সৃষ্টি কৰা গীতসমূহে পুনৰবাৰ দৰ্শকক আকৰ্ষণ কৰে। ৰবি শৰ্মাৰ লগতে আন আন অভিনয় শিল্পীসকলৰ অভিনয়ে নাটকখনক চৰম উপভোগ্য কৰি তুলিছে। মহেশ বৰা, ননি দেৱী, গৌতম ৰাজ, হিমাংশু গগৈ, ধ্ৰুৱজ্যোতি ঢেকিয়াল ফুকন, সূৰ্য বৰা, দেৱশ্ৰী দাস, হেলেনা আখতাৰ, পাৰ্থ বৰা আদিৰ অভিনয়ে নাটকখনক আটকধুনীয়াকৈ সজাই তুলিছে। শব্দ আৰু পোহৰৰ সমুচিত ব্যৱহাৰে চকু নাটকখন এখন জাক-জমক নাটক কৰি তুলিছে। চলিত নলবাৰী ৰাস মহোৎসৱত যোৱা ৫ নৱেম্বৰৰ পৰা ৫ টা দিনৰ বাবে মঞ্চস্থ হৈ থকা 'চকু' নাটকখনে ইতিমধ্যে বিগত দিনকেইটাত দৰ্শকৰ অভূতপূৰ্ব সঁহাৰি লাভ কৰিছে। কাৰণ যিকেইখন ভ্ৰাম্যমাণ থিয়েটাৰে নাট মঞ্চস্থ কৰি আছে, তাৰে ভিতৰত হেঙুল থিয়েটাৰৰ 'চকু' নাটকখনেই সবাটৌকৈ আকৰ্ষণীয় নাটক হিচাপে ইতিমধ্যেই বিবেচিত হৈছে। হেঙুল থিয়েটাৰৰ অনবদ্য প্ৰযোজনা আৰু ৰবি শৰ্মাৰ তাৰকোচিত উপস্থিতি হৈছে চকু নাটকখনে সৰ্বত্ৰ আলোড়ন সৃষ্টি কৰাৰ অন্যতম কাৰণ। ইতিমধ্যেই গণেশগুৰিত অভিলেখ সদৃশ দৰ্শকৰ সমাগম সৃষ্টি কৰা নাটকখনে নলবাৰীৰ ৰাসতো যে একেই সঁহাৰি পাইছে।



# মঞ্চ কঁপাইছে সূৰ্য্যৰ মোৰ কেঁচুৱাই কান্দিছে

মৃদুল ভূঞাৰ এক নিৰ্দিষ্ট দৰ্শক শ্ৰেণী আছে। সেইসকল দৰ্শকে মৃদুল ভূঞাৰ অভিনয় যথেষ্ট ভাল পায়। এইগৰাকী দক্ষ অভিনেতাৰ অভিনয় চাবলৈ প্ৰতিবছৰে ৰৈ থাকে সেইসকল দৰ্শকে। অভিনেতাগৰাকী কোনখন থিয়েটাৰত অভিনয় কৰিছে, সেই কথা গৌণ হৈ পৰে সেইসকল দৰ্শকৰ বাবে। সেই কথা পুনৰ প্ৰমাণিত হৈছে চলিত নাট্যবৰ্ষতো। চলিত নাট্যবৰ্ষত সূৰ্য্য থিয়েটাৰত অভিনয় কৰি থকা অভিনেতাগৰাকীৰ অভিনয় চাবলৈ হিলদল ভাঙি আহিছে দৰ্শক। নলবাৰী ৰাসতো এইবাৰ দেখা গৈছে অভিজিত ভট্টাচাৰ্য ৰচিত আৰু পৰিচালিত মোৰ কেঁচুৱাই কান্দিছে নাটকখন চাবলৈ দৰ্শকৰ অভূতপূৰ্ব ভিৰ। ৫ ডিচেম্বৰৰ পৰা দুটাকৈ দৰ্শনীৰে ৫ টি নিশাৰ বাবে প্ৰদৰ্শিত হৈ থকা নাটকখনৰ দুয়োটা দৰ্শনীতে আশাপ্ৰদ সঁহাৰি দেখা গৈছে। টিকট বিক্ৰীৰ ক্ষেত্ৰত আটাইকেইখন থিয়েটাৰতকৈ সৰ্বাধিক টিকট বিক্ৰী কৰি এটা কীৰ্তিমান ৰক্ষা হ'ব যেন পূৰ্বানুমান কৰিব পাৰি। ইতিমধ্যেই আন থিয়েটাৰতকৈ সূৰ্যৰ টিকট বিক্ৰীৰ সংখ্যা কিছু অধিক হৈছে।

এক দুৰ্ভগীয়া দম্পতীৰ জীৱনৰ কৰুণ গাথা মোৰ কেঁচুৱাই কান্দিছে। এগৰাকী নাৰীৰ জীৱনৰ চৰম পৰীক্ষাৰ ক্ষণৰ দৃশ্যায়ণ মোৰ কেঁচুৱাই কান্দিছে। এজন প্ৰেমিক, এজন দায়িত্বশীল পিতৃত্ব প্ৰয়াসী পুৰুষৰ চৰম জেদ আৰু জীৱনৰ প্ৰতি প্ৰত্যাহ্বানৰ প্ৰতীক এই নাটকখন। যিখন নাটকত কেন্দ্ৰীয় চৰিত্ৰত অভিনয় কৰি মৃদুল ভূঞাই প্ৰমাণ কৰি দিছে যে দৰ্শকে তেওঁৰ প্ৰতি ৰখা আস্থা কেতিয়াও অথলে নাযায়। মৃদুল ভূঞাক নিজৰ চৰিত্ৰটো জীৱন্ত কৰি তোলাত সৰ্বোতপ্ৰকাৰে সহায় কৰিছে সহ অভিনেতা নৰজ্যোতি কাশ্যপ, জয়ন্ত শৰ্মা, পল্লৱী ফুকন, অমৰেন্দ্ৰ অল্যমান, ভৈৰৱজ্যোতি ভূঞা, দীপাংকৰ তালুকদাৰ (বাহু), গীতাঞ্জলী বৰা, গৌৰাংগ শৰ্মা, কৌশিক নাথ আদিয়ে। বিশেষকৈ দুই বন্ধুৰ যুক্তিযুদ্ধৰ দৃশ্যত নৰজ্যোতি কাশ্যপে মৃদুল ভূঞাক সমানেই সহযোগ কৰি দৃশ্যকেইটি উপভোগ্য কৰি তোলে। সমান্তৰালভাৱে পল্লৱী ফুকনৰ অভিনয়ৰ শলাগ লবয়ে লাগিব। যিগৰাকী নাৰীয়ে প্ৰাপ্তি আৰু অপ্ৰাপ্তিৰ এখন চৰম যুদ্ধত অৱতীৰ্ণ হ'বলগীয়া হয়, এফালে কোলাৰ কেঁচুৱাক বুকুৰ গাখীৰ খুৱাই মানুহ কৰাৰ সপোন আৰু আনফালে প্ৰানাধিক স্নেহৰ প্ৰেমাস্পদ স্বামীক দুৰাৰোগ্য ৰোগত হেৰুওৱাৰ এক অকল্পনীয় বেদনাৰ আঘাত সহিবলগীয়া অৱস্থাত ফুটাই তোলাত পল্লৱীৰ চেষ্টাৰ ত্ৰুটি নাই। অভিজ্ঞ অভিনেতা জয়ন্ত শৰ্মাক ৰসাত্মক চৰিত্ৰৰে নাটকখন উপভোগ্য কৰি তোলাত উচিত অভিনয় সঁহাৰি জনাইছে অমৰেন্দ্ৰ অল্যমান, দীপাংকৰ তালুকদাৰ আৰু গৌৰাংগ শৰ্মাই।



ইতিমধ্যে নাটকখনে অসমৰ ভিন্ন প্ৰান্তত ভাল সঁহাৰি লাভ কৰিছে। নলবাৰীৰ ৰাসতো হয়তো এই নাটকখনে ব্যৱসায়ৰ ক্ষেত্ৰত এটা নতুন কীৰ্তিমান স্থাপন কৰিব।

# দুখৰ সুবাস
**ইন্দ্ৰপ্ৰসাদ শইকীয়া**

আহ অ' আহ দুঃখ
মোৰ পিঠিতে হাতখন
বুলাই দেহিচোন!

বিপদ কালতো তই
সম্পদ কালতো তয়েই
মোৰ সখা কৃষ্ণ।

ভোকৰ ভাতসাঁজ
তয়েতো যোগাৱ
সন্তান-সন্ততিকো
তয়েই তুলিতালি
ডাঙৰ-দীঘল কৰ'।

সময়ৰ স'তে মোৰ যুঁজ
খণ্ডত জ্বলি উঠে
মোৰ দুৰ্বাসা মুখ।

উদং ভঁৰাল
বানে গৰকা পথাৰ।
শ শ গাঁও উচ্ছন্ন গ'ল
তথাপি আশাত বন্দী মই
সংগী মাথোঁ তই।
সময়ো যে বেছি নাই
অস্তগামী বেলিটোৱে
তাকে সঁকীয়ায়
চাই থাকোঁ
আপোনজনৰ শোক।

আহ অ' দুখ
দে মোক ফুলেৰে সজায়
তোৰ লয়লাস সুবাস
ৰৈ যাওক মাটিৰ বুকুত।

# অবাক সময়
**দিলীপ কুমাৰ ভট্টাচাৰ্য**

বহু দিনৰ পাছত
তোমাক লগ পালোঁ
অৰুন্ধতী

ঠিকেইতো,
তুমিয়েই....

তোমাৰ মনতো বৈছে নেকি
সন্দেহৰ জিৰি জিৰি এসোঁতা
মুখ ফুটাই কোনেও কাকো
নক'লোঁ একো...

নিৰ্বাক সময়
ওহোঁ
অবাক।

# এখন ছবি
**শৈলেন্দ্ৰ বৰা**

খুপি খুপি এন্ধাৰ বাট
পাৰ হোৱাৰ দুৰ্বাৰ হেঁপাহ

কোনো চায়
কাৰ হিয়া দহে
লাঠিৰ ভৰত
খোপনি এৰায়
পাৰঘাটত ৰৈ আছে
সিহঁত

এন্ধাৰ বাট
অদূৰত বিকট চিঞৰ
এখন ছবি কলা-বগা
পলকতে চিনচাব হেৰায়

এন্ধাৰ বাট
পোহৰলৈ বহুদূৰ

তথাপি যাত্ৰা
আৰম্ভণি আৰু শেষ
এনেকৈয়ে শেষ হয়
জীৱন
নিৰুদ্বেগ জঙৰীয়া!



# তৃষ্ণা
**প্ৰদীপ কুমাৰ শৰ্মা**

হেঁপাহৰ জুইত জাহ যাবলৈ
অশান্ত হৈ পৰে মন।
সজাই-পৰাই থাকোঁতে মৰুভূমিখন মুকলি, উষ্ণ
আৰু বিশাল হ'ল
পিয়াহত কণ্ঠ শুকাল।
বিকাশৰ ভাটীৰ অঙঠাই
ঠেনুকা কৰে লোহাৰ অণু
কোষবোৰ শিথিল হয়
পিটি পিটি আকৃতি দিওঁতে।
টোপা-টোপে সৰে ঘাম
বন্ধকত পোত খায় যৌৱন
ঋণৰ হেঁচাত কঁকাল পৰে।
বলুকাত বিয়লি বেলা
মেলমৰা টিঘিল-ঘিলনি
অপাৰ পাৰপোৱাৰ
ধামখুমিয়াত
মাৰবন্ধা হাত-ভৰিৰ
চপচপনিত
তৃষ্ণাই অগা-দেৱা কৰে বাট।



# ভগ্ন হৃদয়
**দিলীপ কুমাৰ শৰ্মা**

কালি গৈছিলোঁ
আগতেও গৈছিলোঁ
প্ৰায়েই যাওঁ
ৰাতিপুৱাৰ মুক্ত বায়ু
সেৱন কৰাৰ বাবে।

অস্তাচলৰ সূৰ্য্যৰ
ৰক্তিম আভাৰে বৰ্ণিল
এগৰাকী নাৰীক দেখি
মন্ত্ৰমুগ্ধ হৈছিলোঁ।

মুক্ত বিহংগৰ কলৰৱৰ দৰে
অনৰ্গল কিবা কৈ আছিল তাই।
মোৰ বোধগম্য হোৱা নাছিল
তাই কথাবোৰ।

সেইয়া হয়তো আছিল
কোনো পাষাণ নৰপশুৰ
কামনাৰ বলি হোৱাৰ বাবে
তাইৰ হৃদয়ত খোদিত হৈ থকা
নিৰ্লিপ্ত আগ্নেয় ভাষা।

আজিও গৈছিলোঁ
সেই বাটেদি
কিজানিবা দেখা পাওঁৰেইবা
সেই অবলা নাৰীক
যি নাৰী হয়তো আছিল
কাৰোবাৰ মাতৃ
কাৰোবাৰ ভগ্নী
কাৰোবাৰ পত্নী।

কিন্তু মই আজি
সেই দিশহাৰা নাৰীক
সেই ঠাইত দেখা নাপালোঁ।

এখন ভাৰাক্ৰান্ত
হৃদয়েৰে
মই উলটি আহিলোঁ।

এতিয়া মনতে
ঈশ্বৰক আহ্বান জনাইছোঁ
তেওঁ যেন পাওকগৈ
এই ক্ষয়িষ্ণু পৃথিৱীত নোপোৱা
এটুকুৰা নিৰাপদ আশ্ৰয়।

# সলনি
**মহেন্দ্ৰ তাঁতী**

ক'ত হেৰাল
সোণালী গাঁওবোৰ
সেউজীয়া পথাৰবোৰ?
শালিকা- ঘৰচিৰিকাৰ মাত
কুলি-কেতেকীৰ শুৱলা মাত?

সময়ৰ গতিত
সকলো সলনি হ'ল।

ৰঙীন পিয়লাত
কেঁচা তেজৰ দৰে পানেয়
সন্ধিয়া লগাৰ লগে লগেই।

শিয়ালৰ দৰে
চৰিত্ৰৰ সমাৰেশেৰে
পূৰ্ণ আজি মানৱ সমাজ
মুহূৰ্ততে সলনি হৈ যায়
মানুহৰূপী দানৱৰ মনবোৰ।



# এনেদৰেই....
**ৰেণু চহৰীয়া শইকীয়া**

আকাশত
পানীগছা উঠা দেখিলেই
গাভৰুজাকে ঘৰলৈ বুলি
খৰ খোজ লয়।

কাৰৈ-পুঠি-খলিহনাই
খালেটোৰ বুকুত
জীৱনৰ ক্ষণ গণে।

ঘৰমুৱা গাভৰুৰ খোজত
জীৱনৰ ছন্দ যেন
বাহলৈ ওভতা
চৰাইজাকৰ
মিঠা কলৰৱ।

সুখৰ সপোন
বিষাদৰ গান
এনেকৈয়ে
আৰম্ভ হয়
এনেকৈয়ে
পৰিসমাপ্তিও হয়।

এনেকৈয়ে
চলি থাকে জীৱন।

# জোনাকৰমালিকা

**মাতু হাজৰিকা**

শৰতৰ জোনাকত
ফৰিং ফুটিছে
বা বলিছে
সুললিত মুৰুলীৰ।
যেন ব্ৰজধাম
ব্ৰজবধূ
আৰু ৰাধা...?
ঝুনুক-ঝুনুক শব্দৰ ঢৌ
ৰাধাৰ বুকুৰ ঝুলনাত।
বৃন্দাবন বিয়পিছে
কানাই
কানাই
কানাই।
ময়ূৰৰ পেখম
হালিছে-জালিছে
বন-বিৰিখো।
ব্ৰজধামত
প্ৰেম-ভালপোৱা
শান্তি আৰু সুখৰ
নিজৰাত
কানাইৰ বাঁহীটো
কদম গছত
এপলক নিজিৰোৱাকৈ
বাজি থাকে ।

# শীত

**বন্দনা শৰণীয়া**

মই মোৰ সমস্ত শৰীৰ ঢাকি
নিহালিখন মেৰাই লোৱা সত্বেও
কিলবিলাই-কিলবিলাই
ক'ব পৰা জানো আহি
সি মোক ওৰে ৰাতি
সাৱটি থাকে
শেঁতাপৰা গাল
ফটা ওঁঠকো
ভ্ৰূক্ষেপ নকৰি
নিচেই পুৰা
কি যে তাৰ
চেনেহা-চেনেহী
তাৰ শৰীৰৰ চেঁচা বা লাগি
কঁপা কঁপা নীৰৱতাৰ সুৰত
মোৰ কলিজাত বিয়পি পৰে
তাৰ বুকুৰ মৃদু মধু পৰশ
মোৰ বুকুৰ ওপৰেদি
পাৰ হৈ যায়
তাৰ সুকোমল অনুভৱ
প্ৰচণ্ড গতিত কুঁৱলী ফালি
ওলোৱা ৰঙা ৰ'দৰ স'তেও
তাৰ কি যে মিতিৰালি
সি কোন বুলি ভাবিছে আপুনি?
সি আন কোনো নহয়
সিয়েই শীত
সৰ্বজনবিদিত শীত।



# দুখন বাস্তৱৰ প্ৰতিচ্ছবি

**অপৰ্ণা সোণোৱাল**

একেথৰে তাই চাই আছিল
তাইৰ কোলাৰ
কংকালসাৰ কেঁচুৱাটো
যি কান্দি কান্দি খন্তেক আগতে
তাইৰ কোলাত শুই পৰিছিল।

বুকুত চেপেটা খাই পৰি থকা
তাইৰ শুষ্ক স্তন দুটি দেখিলে
এনে লাগে যেন তাৰ পৰা
অৱশিষ্টকণো শেষ হৈ গ'ল...।

অস্থিচৰ্মসাৰ তাইৰ
আপোন দেহটোলৈ
তাই বুজিও নুবুজাৰ দৰে
এক অবুজ চাৱনিৰে
একেথৰে চাই আছিল
শিশু হস্পিটালখনৰ দাঁতিত
থিয় কৰি পুতিৰখা চাইনবৰ্ডখন।

এখনত জিলিকি আছিল
স্বাস্থ্যৱতী মাকৰ কোলাত
এটি নিপোটল সন্তানৰ ছবি
আৰু
আনখনত জিলিকি আছিল
তাইৰেই অনুৰূপ
এজনী কংকালসাৰ
মহিলাৰ স'তে
বুকুৰ হাড় গণিব পৰা
এটি দৰিদ্ৰ শিশু।

তাই চাইনবৰ্ডখনলৈ
একেথৰে চায়েই থাকিল।

# বেদনা

**হেমী বৰা**

আই!
তোৰ কোলাতেই এদিন
নিৰাপদে আছিলোঁ।
ভয় শংকাৰ পৰা বহু দূৰৈত
অৱস্থান আছিল আমাৰ।
তোৰ মৌ মিঠা মাতত
সাৰ পাইছিল শৈশৱ।
কিন্তু এতিয়া?
মূৰ দাঙিলেই দেখো
শোভাযাত্ৰা
কাণ উনালেই শুনো
কৰ্কশ মাত।
আই!
তোৰ শুৱদি সুৰীয়া
মাতটো বাৰু
কোনে কাঢ়ি নিলে?
আমিতো তোৰ লগতেই
আছিলোঁ দেখোন!
অতন্দ্ৰ প্ৰহৰী হৈ।

# পথাৰ

**ভাস্বতী বৰা বৰুৱা**

এচিৰা দুচিৰাকৈ
সপোনে
লহেঁই বুটলিছিল
হালি - জালি নাচি থকা
পথাৰখনত
বুকুত মেঠনি মৰা
ৰোৱনী জনীয়ে।
এগোছা-দোগোছাকৈ
কঠীয়াত হাত বুলাইছিল
আলফুলকৈ
কোমল বোকাৰ লগত
মিতিৰালি পাতি
দুপৰীয়াৰ ৰ'দৰ স'তে
কথা পাতি পাতি।
ঘৰ্মাক্ত শৰীৰৰ
লুণীয়া বৰষুণত
জুৰুলি-জুপুৰি হৈ
তাই আঁকে
সোণালী মুকুতাৰ এখন
বৰ্ণিল পথাৰৰ ছবি
য'ত জিলিকিব
পোৱা সোণৰ দৰে
ৰৌদ্ৰোজ্বল তাইৰ মুখ।
যেতিয়া সেই পথাৰত
লহপহকৈ বাঢ়িব
সোণগুটিৰ থোকবোৰ
তেতিয়া মলয়াৰ বা লাগি
তাইৰ বুকুত নাচিব
এজাক দুজাক সহস্ৰজাক
সোণহালধীয়া চৰাই।



# হৃদয় পুলকিত কৰে শৰতে

**ধৰিত্ৰী চৌধুৰী ৰাজবংশী**

পুৱাৰ দূবৰিত
জুমি জুমি চাওঁ
জিলিকিছে নেকি
নিয়ৰৰ মুকুতামণি?

শেৱালিয়ে আনিছেনে নাই
শৰতৰ আমোলমোল সুগন্ধি

এক অজান উলাহত
কঁপে মোৰ বুকু
জুৰিটিৰ পাৰত
এইবাৰ জাকপাতি
ফুলিবনে নুফুলিব
কঁহুৱা-বিৰিণাৰ ফুল?

কঁহুৱা-বিৰিণাই
হালি-জালি-নাচি
মাতিবনে নেমাতিব
হাত বাউলি
শীতল মলয়াজাকক
যাৰ পৰশত
অসহ্য শীতকো
আওকাণ কৰি
শৰতৰ মিঠা জোনাকত
উন্মনা হ'ব
স্বপ্নাতুৰ প্ৰেমৰ পৃথিৱী

পশ্চিমাকাশত
অস্তমিত বেলিৰ কিৰণ
স্তিমিত হৈ পৰাৰ পিছত
জাক-জাক জোনাকীয়ে
পোহৰাই তুলিলে
শইচ হালধীয়া পথাৰ

শুকুলা মেঘৰ বুকুত
তৰাবোৰৰ স'তে
জোনটিয়ে
মিচিকিয়া হাঁহিলে

শৰতৰ এই মধুৰ মূৰুতিয়ে
মোক বুকুত দিলে?
এক অজান অনুৰাগ
অপ্ৰাপ্তিত প্ৰাপ্তিৰ আৱেশ
অনুভৱৰো অকৃত্ৰিম অনুভৱ
হৃদয় পুলকিত কৰা প্ৰেমৰ স্বাদ।

# মিজোৰামত আঞ্চলিকতাবাদৰ চমকপ্ৰদ উত্থান




**বৰ্তমান সংবাদ ঃ** মিজোৰামৰ ৪০ খন বিধানসভা আসনত অনুষ্ঠিত নিৰ্বাচনৰ ফলাফলআজি ঘোষণা হয়। নিৰ্বাচন আয়োগৰ তথ্য অনুসৰি জোৰাম পিপলছ মুভমেণ্টে ২৭ খন আসন লাভ কৰিছে। আনহাতে এম এন এফে ৭খন আসন লাভ কৰিছে। দুখন আসনত জয়লাভ কৰিছে বিজেপিয়ে। আনহাতে ১ খন আসনত জয়ী হয় কংগ্ৰেছ। উল্লেখ্য যে মিজোৰামত চৰকাৰ গঠন কৰিবলৈ ২১ খন আসনৰ প্ৰয়োজন। তেনেস্থলত ৰাজ্যখনত জেড পি এমে চৰকাৰ গঠন কৰাতো নিশ্চিত হৈ পৰিল। আনহাতে বৰ্তমানৰ শাসকীয় এম এন এফে ৭খন আসন লাভ কৰিছে। ইয়াৰ বাহিৰেও বিজেপিয়ে দুখন আসন লাভ কৰিছে। সোমবাৰে মিজোৰাম বিধানসভা নিৰ্বাচনৰ ভোটগণনাৰ মাজতে ৰাজ্যৰ স্বাস্থ্যমন্ত্ৰী তথা মিজো নেচনেল ফ্ৰণ্টৰ প্ৰাৰ্থী আৰ. দক্ষিণ টুইপুইৰ আসনত জোৰাম পিপলছ মুভমেণ্টৰ প্ৰাৰ্থী জে জে লালপেখলুৱাৰ হাতত পৰাস্ত হয় লালথাংলিয়ানাই। লালপেখলুৱাই ৫৪৬৮ টা ভোট লাভ কৰাৰ বিপৰীতে লালথাংলিয়ানাই ৫ ৩৩৩ টা ভোট লাভ কৰে। কংগ্ৰেছ প্ৰাৰ্থী চি লালডিণ্টলুয়াংগাই লাভ কৰে ২৯৫৮ টা ভোট। জেড পি এমৰ মুখ্যমন্ত্ৰী পদৰ প্ৰাৰ্থী লালডুহোমাই কয়, 'কাইলৈ বা পিছদিনা ৰাজ্যপালক সাক্ষাৎ কৰিম। এই মাহতে হ'ব শপতগ্ৰহণ। ' জেড পি এমৰ মুখ্যমন্ত্ৰী পদৰ প্ৰাৰ্থী লালডুহোমাই কয়, 'মিজোৰাম আৰ্থিক সংকটৰ সন্মুখীন হৈছে। এইটোৱেই হৈছে আমি বিদায়ী চৰকাৰৰ পৰা পোৱা উত্তৰাধিকাৰ...আমি আমাৰ প্ৰতিশ্ৰুতি পূৰণ কৰিবলৈ ওলাইছো। আৰ্থিক সংস্কাৰ প্ৰয়োজনীয় আৰু তাৰ বাবে আমি এটা সম্পদ সংগ্ৰহৰ দল গঠন কৰিবলৈ ওলাইছো। বৰ্তমানৰ মুখ্যমন্ত্ৰী তথা এম এন এফৰ প্ৰাৰ্থী জোৰামথাংগাক পৰাস্ত কৰি জেড পি এমৰ লালথানছাঙে আইজল ইষ্ট-আই সমষ্টিত জয়লাভ কৰিছে।

# ছেমি ফাইনেলত বিজেপিৰ জয় জয়কাৰ



**বৰ্তমান সংবাদ ঃ**লোকসভা নিৰ্বাচনৰ পূৰ্বে ছেমিফাইনেল বুলি চৰ্চিত পাঁচখন ৰাজ্যৰ বিধানসভা নিৰ্বাচনৰ আজি চাৰিখন ৰাজ্যত ভোটগণনা অনুষ্ঠিত হয়। এই ৰাজ্যখন হৈছে মধ্যপ্ৰদেশ, ছত্তিশগড়, তেলেংগানা আৰু ৰাজস্থান। এই চাৰি ৰাজ্যৰ তিনিখন ৰাজ্যতে বিজেপিয়ে জয়ৰ দিশে আগবাঢ়িছে। তেলেংগানাত কংগ্ৰেছৰ জয় প্ৰায় নিশ্চিত হোৱাৰ বিপৰীতে বাকী তিনিওখন ৰাজ্যতে বিজেপিয়ে বিজয় নিচান উৰুওৱাৰ দিশে। আমি এই প্ৰতিবেদন লিখাৰ পৰলৈ চলিত নিৰ্বাচনত আটাইতকৈ বেছি বিধানসভা আসন থকা ৰাজ্য মধ্যপ্ৰদেশত ২৩০ আসনৰ বিপৰীতে বিজেপিয়ে ১৬২ আসন, কংগ্ৰেছে ৬৭ আসন আৰু অন্যান্যই এখনত আগবাঢ়ি আছে। এই পৰলৈ বিজেপিয়ে ৮০ খনত, কংগ্ৰেছে ২১ খনত আৰু অন্যান্যই এখনত জয়লাভ কৰিছে। ৰাজস্থানত ১৯৯ আসনৰ বিপৰীতে বিজেপিয়ে ১১৬ আসন, কংগ্ৰেছে ৬৭ আসন আৰু অন্যান্যই ১৬ খনত আগবাঢ়ি আছে। এই পৰলৈ বিজেপিয়ে ১১৬ খনত, কংগ্ৰেছে ৬৭ খনত আৰু অন্যান্যই ১৬ খনত জয়লাভ কৰিছে। ছট্টিশগড়ত ৯০ আসনৰ বিপৰীতে বিজেপিয়ে ৫৫ আসন, কংগ্ৰেছে ৩৫ আসনত আগবাঢ়ি আছে। এই পৰলৈ বিজেপিয়ে ১৬ খনত, কংগ্ৰেছে ১০ খনত জয়লাভ কৰিছে। এই তিনিখনৰ বাদে তেলেংগানাত কংগ্ৰেছৰ জয় প্ৰায় নিশ্চিত হৈছে। এই পৰলৈ ৰাজ্যখনত কংগ্ৰেছে ৬৪ খনত, বিআৰএছে ৩৯ খনত আৰু বিজেপিয়ে ৮ খনত আৰু অন্যান্যই ৮ খনত আগবাঢ়ি আছে। ৰাজ্যখনত কংগ্ৰেছে ৪৩ আসনত, বিআৰএছে ১৮ আসন, বিজেপিয়ে চাৰিখন আৰু অন্যান্যই দুখনত জয়লাভ কৰিছে। অৰ্থাৎ এই পৰিসংখ্যা চালে ভোটগণনাৰ সমাপ্তিলৈ বিজেপিয়ে তিনিখন ৰাজ্যত জয়লাভ কৰাৰ বিপৰীতে কংগ্ৰেছে এখনত জয়লাভ কৰাতো প্ৰায় নিশ্চিত হৈ পৰিছে।

**'দেশবাসীক চেল্যুট' ঃ প্ৰধানমন্ত্ৰী মোদী**

দেশৰ পাঁচখন ৰাজ্যত নৱেম্বৰত বিধানসভা নিৰ্বাচন অনুষ্ঠিত হোৱাৰ পিছত আজি চাৰিখন ৰাজ্যৰ ভোট গণনা কৰা হৈছে। চাৰিখন ৰাজ্যৰ ভিতৰত তিনিখন ৰাজ্যত বৃহৎ জয় লাভ কৰিছে বিজেপিয়ে। এই বিজয়ৰ হেট্ৰিকৰ পিছত টুইট কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জনসাধাৰণক ধন্যবাদ জনাইছে। প্ৰধানমন্ত্ৰীয়ে নিজৰ টুইটত লিখিছে — 'দেশবাসীক চেলুট ! মধ্যপ্ৰদেশ, ৰাজস্থান আৰু ছত্তীশগড়ৰ নিৰ্বাচনী ফলাফলত দেখা গৈছে যে ভাৰতৰ জনসাধাৰণৰ বিশ্বাস কেৱল সুশাসন আৰু উন্নয়নৰ ৰাজনীতিত। বিজেপিৰ ওপৰত নিজৰ মৰম, বিশ্বাস আৰু আশীৰ্বাদৰ বাবে এই সকলো ৰাজ্যৰ পৰিয়ালৰ সদস্য, বিশেষকৈ মাতৃ, ভগ্নী, কন্যা আৰু আমাৰ যুৱ ভোটাৰক আন্তৰিকতাৰে ধন্যবাদ জনাইছো। মই তেওঁলোকক আশ্বাস দিছো যে আমি আপোনালোকৰ কল্যাণৰ বাবে অক্লান্তভাৱে কাম কৰি যাম। এই উপলক্ষে দলৰ সকলো পৰিশ্ৰমী কৰ্মীলৈ বিশেষ ধন্যবাদ ! আপোনালোক সকলোৱে এক আচৰিত আদৰ্শ দাঙি ধৰিছে। আপুনি বিজেপিৰ উন্নয়ন আৰু দুৰ্বল কল্যাণকামী নীতিক ৰাইজৰ মাজত যিদৰে লৈ গ'ল, সেইদৰে যথেষ্ট প্ৰশংসা কৰিব নোৱাৰি। আমি উন্নত ভাৰতৰ লক্ষ্য লৈ আগবাঢ়িছো। আমি ৰৈ থাকিব নালাগে, ভাগৰিও নাথাকিব লাগে। আমি ভাৰতক বিজয়ী কৰি তুলিব লাগিব। আজি একেলগে আমি এই দিশত এক শক্তিশালী পদক্ষেপ গ্ৰহণ কৰিছো। নৱেম্বৰ মাহত পাঁচখন ৰাজ্য - মধ্যপ্ৰদেশ, তেলেংগানা, ৰাজস্থান, মিজোৰাম আৰু ছত্তীশগড়ত বিধানসভা নিৰ্বাচন অনুষ্ঠিত হৈছিল আৰু ভোটগণনাৰ নিৰ্ধাৰিত তাৰিখ আছিল ৩ ডিচেম্বৰ। মিজোৰামত নিৰ্বাচনৰ ভোটগণনাৰ তাৰিখ এদিন বৃদ্ধি কৰা হৈছে আৰু ৪ ডিচেম্বৰত ভোটগণনা অনুষ্ঠিত হ'ব। ৩ ডিচেম্বৰত প্ৰকাশ পোৱা ভোট গণনাত চাৰিখন ৰাজ্যৰ ভিতৰত তিনিখন ৰাজ্যত বিজেপিয়ে জয়লাভ কৰা যেন লাগে, আনহাতে তেলেংগানাত কংগ্ৰেছে বিজয় পঞ্জীয়ন কৰা দেখা গৈছে। এগজিট প'লৰ কথা ক'বলৈ গ'লে ইয়াৰ ফলাফল স্পষ্ট নাছিল যদিও যেতিয়া ফলাফলৰ পাল আহিল, তেতিয়া আচৰিত ধৰণৰ পৰিসংখ্যা ওলাইছে। (চতুৰ্দশ পৃষ্ঠালৈ)

# ড্ৰাগছ সাম্ৰাজ্য

(প্ৰথম পৃষ্ঠাৰ পৰা) মূল্যৰ ড্ৰাগচ শুল্ক বিভাগে জব্দ কৰিছে। শুল্ক বিভাগৰ তথ্য অনুসৰি ডেনমাৰ্ক অভিমুখী এখন মালবাহী জাহাজৰ পৰা এই বৃহৎ পৰিমাণৰ ড্ৰাগচ শুল্ক বিভাগে জব্দ কৰিছে। উল্লেখযোগ্য যে পানামাত পঞ্জীয়নভুক্ত জাহাজখনে পাৰাদ্বীপ আন্তঃৰাষ্ট্ৰীয় কাৰ্গো টাৰ্মিনেলত প্ৰৱেশ কৰিছিল আৰু ইয়াৰ লক্ষ্য আছিল ইণ্ডোনেছিয়াৰ ড্ৰেচিক বন্দৰ। কিন্তু বিদেশী এই জাহাজখন পাৰাদ্বীপত অবৈধভাৱে প্ৰৱেশ কৰাৰ পিছতেই শুল্ক বিভাগৰ বিষয়াসকলে সন্দেহ বশত জাহাজখনত অভিযান চলাই। জাহাজখনত এক কিলোগ্ৰাম ওজনত বাইশটা পেকেট উদ্ধাৰ কৰা হৈছে। এই ড্ৰাগচখিনিৰ আন্তঃৰাষ্ট্ৰীয় বজাৰ মূল্য দুশ কোটিৰ পৰা ২২০ কোটি টকা। বিগত এবছৰত অসমতো ভয়াৱহ হাৰত বৃদ্ধি হৈছে ড্ৰাগচৰ অবৈধ বেহা। বহু সময়ত অসম আৰক্ষীয়ে ক্ষীপ্ৰ অভিযান চলাই বৃহৎ পৰিমাণৰ ড্ৰাগচ জব্দ কৰাৰ লগতে বহু ড্ৰাগচ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰিছে। চোৰাংচোৰা বিভাগৰ তথ্য অনুসৰি বহু সময়ত ম্যানমাৰৰ সোণালী ত্ৰিভুজৰ পৰা অসম হৈ ভাৰতবৰ্ষৰ বিভিন্ন অঞ্চললৈ ড্ৰাগচ সৰবৰাহকাৰীসকলে স্থলপথেৰে ড্ৰাগচৰ যোগান ধৰিবলৈ চেষ্টা চলাই আহিছে। কিন্তু শেহতীয়াভাৱে অসম আৰক্ষী এইদিশত অধিক গতিশীল আৰু কঠোৰ হৈ পৰা পৰিলক্ষিত হৈছে।

# ধুবুৰীত আন্তঃৰাষ্ট্ৰীয় বিকলাঙ্গ দিৱস পালন

(দ্বিতীয় পৃষ্ঠাৰ পৰা) কৰি ৰাষ্ট্ৰীয় বাল স্বাস্থ্য কাৰ্যক্ৰমৰ যোগেদি সম্পূৰ্ণ বিনামূলীয়া চিকিৎসাৰ ব্যৱস্থা কৰা হ'ব। উক্ত স্বাস্থ্যপৰীক্ষা কাৰ্যসূচীত বিদ্যালয়খনত থকা ছাত্ৰ-ছাত্ৰীসকলৰ উপৰিও জিলাখনৰ অন্য বিদ্যালয়ৰ পৰা অহা ছাত্ৰ-ছাত্ৰীকো শাৰীৰিক স্বাস্থ্য পৰীক্ষা কৰাই বিনামূলীয়া ঔষধ বিতৰণ কৰে। উক্ত কাৰ্যসূচীত উপস্থিত থাকে ধুবুৰী চিকিৎসা মহাবিদ্যালয়ৰ শিশু বিশেষজ্ঞ ডাঃ মনোৱাৰ হুছেইন, নাক, কান আৰু ডিঙিৰ বিশেষজ্ঞ ডাঃ সুৰেন্দ্ৰ সিং, চকু বিশেষজ্ঞ ডাঃ সঞ্জয় নাথ আৰু ৰাষ্ট্ৰীয় বাল স্বাস্থ্য কাৰ্যক্ৰমৰ চিকিৎসক সকল ক্ৰমে ডাঃ নজমুল হক মণ্ডল, ডাঃ ছন্নম মণ্ডল, ডাঃ গণেশ প্ৰসাদ গুপ্তা, ডাঃ ছফিকুল ইছলামৰ, এ এন এম আৰু ফাৰ্মাচীষ্ট সকলৰ লগতে ৰাষ্ট্ৰীয় বাল স্বাস্থ্য কাৰ্যক্ৰমৰ জিলা সমন্বক ছিৰাজুল ইছলাম, খণ্ড সমন্বক শ্বৰীফুল ইছলাম খন্দকাৰ, চিনিৰ জিলা সমন্বক মৈত্ৰেয়ী শইকীয়া, খণ্ড সমন্বক আৰজিনা বেগম আৰু স্কুলখনৰ শিক্ষক শিক্ষয়িত্ৰীসকল উপস্থিত থাকি কাৰ্যসূচী সাফল্য মণ্ডিত কৰে। আজিৰ স্বাস্থ্য পৰীক্ষা শিবিৰত পাঁচ শতাধিক ছাত্ৰ - ছাত্ৰীৰ স্বাস্থ্য পৰীক্ষা কৰা হয়।

# ছাত্ৰ-ছাত্ৰীৰ জ্ঞান আহৰণত শিক্ষামূলক ভ্ৰমণৰ ভূমিকা

(চতুৰ্থ পৃষ্ঠাৰ পৰা) সৃষ্টি হয় ভ্ৰমণ সাহিত্যৰ। এই সাহিত্যৰ আৰম্ভণি বাৰু কেনেকৈ হৈছিল। স্বৰ্গদেউ জয়ধ্বজ সিংহৰ ৰাজত্ব কালত ৰাম মিশ্ৰই বৃন্দাবন ভ্ৰমণ কৰি সেই অঞ্চলৰ ভৌগোলিক অৱস্থা, লোককথা, লোকসংস্কৃতি, ইতিহাসৰ ওপৰত 'বৃন্দাবন চৰিত্ৰ' পদত লিখি ভ্ৰমণ সাহিত্য ৰচনা কৰিছিল। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱেও 'গুৰুচৰিতকথা'ৰ মাজেৰে ভাৰতবৰ্ষৰ বিভিন্ন তীৰ্থ ভ্ৰমণৰ অভিজ্ঞতা বৰ্ণনা কৰিছে। 'অৰুণোদয়' আলোচনীত প্ৰকাশ পোৱা 'আমেৰিকালৈ জোৱা এজন নগাঁও স্কুলৰ চাতৰৰ পৰা' শিৰোনামেৰে লিখা চমু চিঠিখনেই আধুনিক অসমীয়া ভ্ৰমণ কাহিনী বা সাহিত্যৰ বীজ ৰোপণ কৰিছিল। এই চিঠিখন ১৮৪৯ চনত 'লুচি এন হেইডেন' নামৰ ছাত্ৰ এজনে লিখিছিল।

অসমীয়া ভ্ৰমণ কাহিনীৰ বাটকটীয়া আছিল গুণাভিৰাম বৰুৱাদেৱ, বিকাশ চন্দ্ৰ গোঁহাই, জ্ঞানদাভিৰাম বৰুৱা, আনন্দ চন্দ্ৰ আগৰৱালা, লক্ষ্মীনাথ ফুকন, মাধৱ বেজবৰুৱা আদি স্বনামধন্য ব্যক্তি সকল, তেখেতসকলে অৰুণোদয়, আৱাহন, বাঁহী আলোচনীত ভ্ৰমণ কৰা ঠাই সমূহৰ বিৱৰণেৰে লেখা সমূহ প্ৰকাশ কৰিছিল। বৰ্তমানেও বহু কেইগৰাকী লেখকে দেশ বিদেশ ভ্ৰমণ কৰি লাভ কৰা অভিজ্ঞতা বিষয়ে বহু কিতাপ লিখিছে। যাৰ সহায়ত আমি বহু নজনা কথা জানিব পাৰিছোঁ।

লুচি এন হাইডেনৰ এখন চমু চিঠিয়েই যেনেকৈ ভ্ৰমণ কাহিনীৰ বীজ ৰোপণ কৰিছিল সেইদৰে আমাৰ ছাত্ৰ- ছাত্ৰীয়ে শিক্ষামূলক ভ্ৰমণত লাভ কৰা লিখিত অভিজ্ঞতাই নিশ্চয় কেতিয়াবা ইতিহাস হ'ব পাৰে। ভ্ৰমণে স্বাভাৱিকতে এক আনন্দময় পৰিৱেশ সৃষ্টি কৰে। আনন্দৰ মাজেৰে শিক্ষা লাভ কৰাৰ বাহিৰে ইয়াৰ বিকল্প নাই। শিক্ষাৰ্থীৰ বাবে চাৰিওফালে সিঁচৰিত হৈ আছে অলেখ বিষয়। যিয়ে নেকি ভ্ৰমণে দিয়ে এটি 'প্ৰেক্টিকেল ক্লাছ' যাৰ সহায়ত শিকন গাঢ় হয়।

# বিজেপিলৈ আছু নেতাৰ সোঁত

(তৃতীয় পৃষ্ঠাৰ পৰা)কাম কৰিছিলো আৰু এতিয়া দলৰ নেতৃত্ব অনুসৰি কাম কৰিম। আমি আৰু নৰপ্ৰজন্ম মুখ্যমন্ত্ৰীৰ উন্নয়ন যাত্ৰাৰ প্ৰতি আকৰ্ষিত হৈছো, আৰু ইয়াৰ বাবেই আমি বিজেপিৰ দ্বাৰা অধিক প্ৰভাৱিত হৈছো। " মন কৰিবলগীয়া যে ২০২৩ চনৰ ২১ নৱেম্বৰত মেধিৰ লগতে আন কেইবাজনো কৰ্মীয়ে আছু এৰি থৈ যায়। ইয়াৰ পূৰ্বে আছুৰ মূল নেতৃত্বই মেধিক ছাত্ৰ সংগঠনটোৰ সদস্যপদৰ পৰা নিলম্বন কৰাৰ সিদ্ধান্ত লৈছিল। পিছত নিম্ন আদালতত এই সিদ্ধান্তক প্ৰত্যাহ্বান জনাই মেধিয়ে কেন্দ্ৰীয় নেতৃত্বই ছাত্ৰ সংগঠনৰ সংবিধান ভৰিৰে গচকি যোৱাৰ অভিযোগ উত্থাপন কৰে। আছুৰ ৫৫ জন লোকৰ নাম আদালতত দাখিল কৰি মেধিয়ে কয় যে, "আছুৰ নেতৃত্বৰ পদত থকাসকলেও যোগ্যতা অৰ্জন নকৰে। তেওঁলোকে এই পদত অবৈধভাৱে অধিষ্ঠিত কাৰণ তেওঁলোক ছাত্ৰ নহয় আৰু সেই বয়স অতিক্ৰম কৰিছে। " ইয়াৰ পিছতে কামৰূপ জিলা আৰু অধিবেশন আদালতে সদৌ অসম ছাত্ৰ সন্থাৰ নেতা দিব্যজ্যোতি মেধিৰ নিলম্বন সন্দৰ্ভত স্থগিত ৰখাৰ নিৰ্দেশ দিয়ে। তদুপৰি আদালতে আছুৰ ডিমৰিয়া কলেজ আছু ইউনিট ভংগ কৰাৰ ক্ষেত্ৰতো স্থগিত ৰাখিছে বুলি খবৰ ওলাইছে। মহাবিদ্যালয়ত ৰঙালী বিহু উদযাপনৰ সময়ত ৰাজ্যপালক নিমন্ত্ৰণ কৰি সাংগঠনিক অনুশাসন উলংঘা কৰা বুলি অভিযোগ উত্থাপন হোৱা কেলেংকাৰিৰ পৰিপ্ৰেক্ষিতত সংগঠনটোৰ কেন্দ্ৰীয় নেতৃত্বই ডিমৰিয়া কলেজ আছু ইউনিটটো ভংগ কৰি পেলাইছিল।

# বেজবৰুৱাৰ সাহিত্যত জাতীয় চেতনা

(সপ্তম পৃষ্ঠাৰ পৰা) এই চেতনাক হাস্য ব্যংগ অথবা গহীন ভাব ভংগীৰে ফুটাই তুলিবলৈ সক্ষম হৈছে। তদুপৰি, জাতীয় চেতনাৰে উদ্বুদ্ধ লক্ষ্মীনাথ বেজবৰুৱাৰ ৰচনাবোৰত সমাজ সংস্কাৰৰো এক তীব্ৰ চেতনা দেখা পোৱা যায়। কৃপাবৰী ৰচনা, চুটিগল্প প্ৰায়বোৰতে সমাজ সংস্কাৰৰ নিদৰ্শন দেখা যায়। তেওঁ সমাজৰ পৰম্পৰাগত ৰীতি-নীতি, কু-সংস্কাৰ, শোষণ, মিছা অহংকাৰ, মিছা ভেম আদিবোৰক ব্যংগ বাণেৰে তীব্ৰ সমালোচনা কৰাৰ লগতে সমাজৰ সু সংস্কাৰৰ বাবে অহোপুৰুষাৰ্থ চেষ্টাত কৰা দেখা যায়। তেওঁৰ গল্প আৰু কৃপাবৰী ৰচনাত এনে সংস্কাৰকামী দৃষ্টিভংগী পৰিলক্ষিত হয়।

লক্ষ্মীনাথ বেজবৰুৱাই সাহিত্য জগতত প্ৰৱেশ কৰে লিতিকাই নামৰ ধেমেলীয়া নাট এখনৰ জৰিয়তে। ই এটা পুৰণি সৰ্বজনবিদিত সাধুকথাৰে নাট্যৰূপ। বেজবৰুৱাৰ সাহিত্যিক জীৱনৰ মূল আধাৰ আছিল অসমীয়া সমাজখন। অসমীয়া সমাজ জীৱনৰ বিভিন্ন ৰীতি-নীতি, আচাৰ ব্যৱহাৰ, বিশ্বাস-অন্ধবিশ্বাস, ধৰ্ম, আদৰ্শ, খাদ্য, সাজ-পাৰ ইত্যাদিৰ এখন সুন্দৰ চিত্ৰ তেওঁৰ প্ৰায়বোৰ ৰচনাৰ মাজতেই দেখা যায়।

মূলতঃ পাশ্চাত্য দৰ্শনৰ প্ৰভাৱে বেজবৰুৱাক প্ৰভাৱিত কৰিছিল যদিও জাতীয় সাহিত্যৰ উন্নতিহে তেওঁৰ মূল উদ্দেশ্য আছিল। অসমীয়া সাহিত্যত বেজবৰুৱাৰ যোগেদিয়ে প্ৰৱেশ কৰিলে পাশ্চাত্য দৰ্শন, নৱন্যাসবাদ আদিয়ে। পাশ্চাত্য দৰ্শনৰ দ্বাৰাই বেজবৰুৱাই অসমীয়া সাহিত্যক বস্তুনিষ্ঠ দৃষ্টিভংগীৰে সমৃদ্ধ কৰিলে। মাধৱ কন্দলী, শংকৰদেৱ, মাধৱদেৱৰ ধ্ৰুপদী সাহিত্যই যিদৰে এটা যুগ সৃষ্টি কৰিলে, সেইদৰে সেইসকল মনীষীৰ ৰচনাৰ পটভূমিত বেজবৰুৱাই সৃষ্টি কৰিলে জাতীয় ভাৱযুক্ত দৃষ্টিভংগীৰে সমৃদ্ধ অসমীয়া সাহিত্যৰ এটি নতুন যুগৰ। জাতীয় সচেতনতা আৰু স্বদেশ স্বজাতিৰ উন্নতি সাধন বেজবৰুৱাই নিজৰ জীৱনৰ ব্ৰত হিচাপে গ্ৰহণ কৰিছিল। অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ ঐতিহ্যৰ কথা সোঁৱৰাই অসমীয়া মানুহৰ জাতীয়তাবোধ আৰু ভাষা চেতনা জাগ্ৰত কৰাৰ মূলতে আছিল বেজবৰুৱা। "অসমীয়া ভাষা, সাহিত্যৰ সমৃদ্ধিয়েই হৈছে অসমীয়া জাতিৰ সমৃদ্ধি"- এই কথাষাৰকে মৰণপণ কৰি লোৱা লক্ষ্মীনাথ বেজবৰুৱাই অসমীয়া জাতিৰ উদ্ধাৰৰ হকেই হাতত কলম তুলি লৈছিল আৰু তেওঁৰ সেই কলম কেতিয়াও থমকি ৰোৱা নাছিল। অসমীয়া জাতিৰ স্বকীয় বৈশিষ্ট্য উদ্ধাৰৰ হেতু প্ৰাণে-পণে লাগি জাতিটোৰ প্ৰাণ প্ৰতিষ্ঠা কৰাৰ বাবে বেজবৰুৱাৰ স্থান অসমীয়াৰ বুকুত চিৰদিন খোদিত হৈ ৰ'ব।

বেজবৰুৱাৰ সৃষ্টিৰাজী সম্পৰ্কত আলোচনা কৰিবলৈ হ'লে আমি সেই সময়ৰ অসমীয়া ভাষাৰ দুৰ্যোগপূৰ্ণ পৰিস্থিতিলৈ উভতি যাব লাগিব। কুখ্যাত ইয়াণ্ডাবু সন্ধিয়ে অসমৰ ৰাজনৈতিক, অৰ্থনৈতিক তথা সামাজিক ব্যৱস্থাকে ধ্বংস কৰি দিয়া নাছিল, ইয়াৰ লগতে ইংৰাজৰ আগমনে অসমীয়া ভাষালৈকো সংকটপূৰ্ণ অৱস্থাৰ সৃষ্টি কৰিছিল। কুটিল ৰাজনৈতিক ষড়যন্ত্ৰত অসমত বাংলা ভাষাৰ প্ৰচলনে অসমীয়া জনসমাজলৈ ভাবুকিৰ সৃষ্টি কৰিছিল। কিন্তু সেইসময়ত কেইগৰাকীমান উদাৰমনা বেপ্তিষ্ট মিছনাৰীৰ সহযোগত অসমীয়া ভাষাৰ ঐতিহ্যক স্বকীয়তাৰে ধৰি ৰখাৰ আপ্ৰাণ চেষ্টা কৰিলে। এই মিছনেৰীসকলৰ ভূমিকা অসমৰ জাতীয় জীৱনত চিৰস্মৰণীয় হৈ ৰ'ব। ১৮৩৬ চনৰ পৰা ১৮৭৩ চনলৈকে বাংলা ভাষাৰ দৌৰাত্ম্য আৰু অসমীয়া ভাষাক বিদ্ৰূপ কৰি আক্ৰমণাত্মক সমালোচনা কৰি কিছুমান প্ৰবন্ধ বাংলাভাষী আলোচনী প্ৰবাসী, মৃণ্ময়ী আদিত প্ৰকাশ পাইছিল। কিন্তু কলিকতাত উচ্চশিক্ষা লাভ কৰি থকা প্ৰবাসী অসমীয়া ছাত্ৰৰ জাতীয়তাবোধৰ সন্মিলিত চেষ্টাত জন্ম হোৱা জোনাকী আৰু পিছলৈ বাঁহীত লক্ষ্মীনাথ বেজবৰুৱাই অসমীয়া ভাষা, সাহিত্য সম্পৰ্কে এলানী তথ্যপূৰ্ণ প্ৰবন্ধ ৰচনা কৰি অসমীয়া বিৰোধী ষড়যন্ত্ৰকাৰীসমূহক উচিত প্ৰত্যুত্তৰ দিছিল। অসমীয়া ভাষাৰ স্বকীয়তা, ঐতিহ্য, প্ৰাচীনতা আৰু বিকাশৰ দীঘলীয়া পৰিক্ৰমাৰ বিষয়ে জোনাকী আৰু বাঁহী আলোচনীত গৱেষণাধৰ্মী কিছুমান প্ৰবন্ধ ৰচনা কৰি বেজবৰুৱাই অসমীয়া ভাষা-সাহিত্যৰ দৃঢ়তাপূৰ্ণ স্থান নিৰ্ণয় কৰি থৈ গৈছে। বেজবৰুৱাৰ হৃদয়ত জাতিৰ প্ৰতি থকা দায়িত্ববোধ, ভাষাৰ প্ৰতি থকা উচিত মৰ্যাদাৰ কেতিয়াও হীন দেৰি হোৱা নাছিল। দেশাত্মবোধ, জাতীয়তাবোধ, সংস্কাৰমুখী, ভাৱধাৰা, আত্মমৰ্যাদা আদি বেজবৰুৱাৰ মজ্জাগত বৈশিষ্ট্য আছিল। সেয়েহে তেওঁ কলিকতাত উচ্চ শিক্ষা লাভ কৰিবলৈ গৈ পাশ্চাত্য সাহিত্যৰ বহল ক্ষেত্ৰখনৰ লগত পৰিচিত হৈও অসমীয়া ভাষা সাহিত্যৰ উত্তৰণৰ বাবে সমগ্ৰ জীৱন উছৰ্গা কৰি থৈ গ'ল। ভাষা সাহিত্যৰ উত্তৰণৰ বাবেই কলিকতাৰ প্ৰবাসী ছাত্ৰসকল চন্দ্ৰকুমাৰ আগৰৱালা, হেমচন্দ্ৰ গোস্বামী, লক্ষ্মীনাথ বেজবৰুৱা প্ৰমুখে অসমীয়া ছাত্ৰ সকলৰ প্ৰচেষ্টাত ১৮৮৮ চনত 'অসমীয়া ভাষাৰ উন্নতি সাধিনী সভা' গঠন কৰে। এই সভাৰ মুখপত্ৰৰূপে ১৮৮৯ চনত জোনাকী আলোচনীখন চন্দ্ৰকুমাৰ আগৰৱালাৰ সম্পাদনাত প্ৰকাশ হয়।

জোনাকীয়ে অসমীয়া সাহিত্যত এক নতুন যুগৰ সৃষ্টি কৰিছিল। (চতুৰ্দশ পৃষ্ঠালৈ)

# বেজবৰুৱাৰ সাহিত্যত জাতীয় চেতনা

(ত্ৰয়োদশ পৃষ্ঠাৰ পৰা) লিতিকাইৰে সাহিত্যিক জীৱনৰ পাতনি মেলা লক্ষ্মীনাথ বেজবৰুৱাই অসমীয়া ভাষা-সাহিত্যলৈ বৰ্ণাঢ্য বিষয়ক ৰচনা উপহাৰ দিলে। বেজবৰুৱাৰ নেতৃত্বতেই এমুঠি অসমীয়া লেখকৰ সৃষ্টি হৈছিল আৰু অসমীয়া সাহিত্যইও লাহে লাহে প্ৰাণ পাই উঠিছিল। বেজবৰুৱাই নিজেও সাহিত্যৰ আটাইকেইটা ঠালতেই হাত দিছিল। কবিতা, গল্প, উপন্যাস, নাটক, ৰম্যৰচনা আদি প্ৰায় সকলোবিলাক বিভাগতেই বেজবৰুৱাই এটা নতুন ধাৰাৰ সৃষ্টি কৰে। লগতে, বেজবৰুৱাৰ হাততেই আধুনিক অসমীয়া গদ্যই বিশিষ্ট শৈলী, সাৱলীলতা আৰু বিবৰ্তন লাভ কৰিলে বুলিও একেমুখে স্বীকাৰ কৰিব পাৰি। আকৌ, জোনাকীৰ পাছত, সম্পূৰ্ণ তেওঁৰ প্ৰচেষ্টাত প্ৰকাশিত হোৱা বাঁহী আলোচনীখনেও অসমীয়া সাহিত্যৰ বুৰঞ্জীত এক বিশেষ স্থান লাভ কৰি আহিছে। নিভাঁজ অসমীয়া ৰচনা ৰীতি আৰু জাতীয়তাবাদৰ নতুন সূচনাৰে বাঁহী আছিল অসমীয়া সাহিত্যৰ ইতিহাসৰ বাবে সঞ্জীৱনী স্বৰূপ। বাঁহীয়ে অসমীয়াক নিজৰ জাতিকে চিনি পাবলৈ শিকাইছিল আৰু বেজবৰুৱা আছিল ইয়াৰ অন্যতম হোতা।

এটা কথা উল্লেখ কৰিব লাগিব যে, লক্ষ্মীনাথ বেজবৰুৱাই সাহিত্য সাধনা কৰিছিল ঔপনিৱেশিকতাৰ কৱলত ককবকাই থকা জাতিটোৰ ভাষা-সাহিত্যৰ নিৰ্মাণ আৰু সমৃদ্ধিৰ বাবে। তেওঁ আছিল উত্তৰণৰ সাধক, প্ৰগতিশীল চিন্তাৰে পৰিপুষ্ট আৰু গভীৰ জীৱনবোধ থকা সাংস্কৃতিক খনিকৰ। অসমীয়া সাহিত্য সংস্কৃতিত বিশেষ অৱস্থাটোৰ প্ৰতি লক্ষ্য ৰাখি তেওঁ ৰাজনীতিৰ পৰিৱৰ্তে প্ৰজানীতিৰ কথা কৈছিল। ব্ৰিটিছ বিৰোধী আন্দোলনৰ লগত তেওঁৰ পোনপটীয়া সম্পৰ্ক নাছিল যদিও একে সময়তে পৰাধীন জাতিৰ ৰাজনীতি থাকিব নোৱাৰে বুলিও বিশ্বাস কৰিছিল। তেওঁৰ মতে, স্বাধীন জাতীয় জীৱনবোধেহে সুস্থ সাহিত্য সৃষ্টি কৰিব পাৰে। ঔপনিৱেশিক শক্তিয়ে অসমীয়া ভাষাক নিজৰ মুলুকতে বিতাড়িত কৰি বঙালী ভাষাক চৰকাৰী ভাষাৰ মৰ্যাদা দিব খুজিছিল। কিন্তু বিশ্বমুখী লক্ষ্মীনাথে ভাষা-সাহিত্যৰ উত্তৰণ যে বহিঃবিশ্বৰ সুস্থ সাহিত্য-সংস্কৃতিৰ চিন্তাৰ সতে হোৱা আদান-প্ৰদানৰ জৰিয়তেহে সম্ভৱ, সেই কথাও গভীৰভাৱে বিশ্বাস কৰিছিল আৰু তেনে এক অনুশীলনত বঙালী ভাষা সাহিত্যৰ সফলতাক সশ্ৰদ্ধাৰে সোঁৱৰণ কৰিছিল। পৰাধীন জাতি এটাৰ ৰাজনীতি থাকিব নোৱাৰে বুলি ভবা বেজবৰুৱাই আধুনিক বিশ্বত সংঘটিত যুদ্ধত ৰাজনৈতিক-অৰ্থনীতি যে সাম্ৰাজ্যবাদ সেই কথা স্বীকাৰ কৰিছিল। এয়া নিঃসন্দেহে বেজবৰুৱাৰ গভীৰ ৰাজনৈতিক দূৰদৃষ্টিৰ পৰিচায়ক

# জীৱনৰ এটা অপৰিহাৰ্য অংগ ঃ বাৰ্তালাপ

(সপ্তম পৃষ্ঠাৰ পৰা) সেই আশা পূৰ্ণ নহ'ল।

মুঠতে কথা ক'বলৈ কেৱল জিভাখন থাকিলেই নহ'ব, স্থান-কাল- সময়-পৰিস্থিতি ভেদে কথাৰ শৰ মাৰিব জনা লোকেহে সকলোৰে আদৰ পায়। অৱশ্যে বহু ছলাহী কথা কোৱা লোকৰ পাল্লাত পৰি কিছু নিৰীহ লোকৰ নাজল-নাথল অৱস্থাও নোহোৱা নহয়! এই ক্ষেত্ৰত কিছু ধুৰন্ধৰ ৰাজনীতিবিদৰ কথাকে উনুকিয়াব পাৰি। ক্ষণে ক্ষণে কথা লুটিওৱা এনে লোকে কথাৰ বাণ মাৰি ক'ত মানুহ , সমাজ, ৰাজ্যৰ ক্ষতি কৰিছে, আপোনালোক সকলোৰে জ্ঞাত।

সুন্দৰকৈ আঁতি-গুৰি মাৰি কথা ক'ব জনাটো এটা কলা। এই কলা যি লোকে আয়ত্ত কৰিব পাৰিছে, তেওঁলোক যি ঠাইতে, যেনেকুৱা বিপদতে নপৰক, হাত সাৰি আহিবই। মুঠতে কথা ক'ব নাজানি বাৰে -ভচহু এসোপা ছেল-বেলাই থকাতকৈ বহু সময়ত নীৰৱে থকাই শ্ৰেয়ঃ।

# ছেমি ফাইনেলত বিজেপিৰ জয় জয়কাৰ

(দ্বাদশ পৃষ্ঠাৰ পৰা) **জনাদেশ মানি লৈছো ঃ ৰাহুল গান্ধী**

আজি দেশৰ চাৰিখন ৰাজ্যৰ বিধানসভা নিৰ্বাচনৰ ভোটগণনাত তিনিখনতে পৰাজয়ৰ পাছত কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে পৰাজয় স্বীকাৰ কৰিছে। এই সন্দৰ্ভত চছিয়েল মিডিয়াত ৰাহুল গান্ধীয়ে কয়, 'মধ্যপ্ৰদেশ, ছত্তীশগড় আৰু ৰাজস্থানৰ জনাদেশ আমি বিনম্ৰভাৱে গ্ৰহণ কৰোঁ। অৱশ্যে পৰাজয় স্বীকাৰ কৰিলেও তেঁও মতাদৰ্শৰ যুদ্ধ অব্যাহত ৰাখিব বুলিও কয়। আনপিনে কংগ্ৰেছ জয়ী হোৱা ৰাজ্য তেলেংগানাৰ জনসাধাৰণলৈ তেঁও ধন্যবাদ জনায়। প্ৰজালু তেলেংগানা বনোৱাৰ প্ৰতিশ্ৰুতি নিশ্চিতভাৱে পূৰণ কৰিব বুলি তেঁও কয়। কষ্ট আৰু সহায় সহযোগিতাৰ বাবে সকলো দলীয় কৰ্মীলৈ আন্তৰিক ধন্যবাদ জনায় গান্ধীয়ে।

# দ্য ৰে'লৱে মেন

(অষ্টম পৃষ্ঠাৰ পৰা) পুত্ৰই প্ৰথম দিনাই ৰেলৱেত কাম কৰিবলৈ আহিছে। আৰু, কাহিনীটোৰ ৰহস্য আৰু ৰোমাঞ্চ অক্ষুণ্ণ ৰাখিবলৈ, গেছ নিৰ্গত কাণ্ড সংঘটিত হোৱাৰ নিশাই ভোপাল ষ্টেচনৰ চেফত ৰখা এক কোটি টকা লুটি নিয়াৰ বাবে তাত দেখা যায় এজন ডকাইতৰ। ৰেল ষ্টেচনত যোগাযোগ লাইন মেৰামতিৰ কামো দিনৰ ভাগত চলি থাকে, গতিকে যেতিয়া কোনো দুৰ্ঘটনা সংঘটিত হয় তেতিয়া ষ্টেচন মাষ্টৰজন বাহিৰৰ পৰা সহায় বিচৰাৰ অৱস্থাতো নাথাকে, তেন্তে কি হয়? ইয়াৰ আধাৰত যশ ৰাজ ফিল্মছৰ অ'টিটি শাখা ৱাই আৰ এফ এণ্টাৰটেইনমেণ্টৰ ধাৰাবাহিক 'দ্য ৰেলৱে মেন'। ৱেব ছিৰিজ 'দ্য ৰেলৱে মেন'ৰ চাৰিটা খণ্ডৰ এটা নিৰ্দিষ্ট কাহিনী। পৰৱৰ্তী ছিজনৰ কোনো পৰিসৰ নাই আৰু এই চাৰিটা খণ্ড চিনেমাৰ দৰে এটাৰ পিছত এটাকৈ চাবলৈ নিখুঁত। এই উৎকৃষ্ট ধাৰাবাহিকখনৰ শিৰোনাম পৰিচালক শিৱ ৰাৱাইলৰ মূৰৰ ওপৰত নিৰ্ভৰশীল। ১০ বছৰ ধৰি যশ ৰাজ ফিল্মছত সকলো ধৰণৰ কাম কৰি অহা শিৱক এই ধাৰাবাহিকখনৰ কামৰ বাবে প্ৰযোজক আদিত্য চোপ্ৰাই সেউজ সংকেত দিছিল যেতিয়া শিৱে ইয়াৰ কাহিনী, চিত্ৰনাট্য, সংলাপ আৰু ইয়াৰ ইতিহাস আৰু... ভূগোল। কৰিছিল। এই কঠোৰ পৰিশ্ৰম ধাৰাবাহিকখনতো দেখা গৈছে। ফুটেজৰ কোলাজৰ পৰা আৰম্ভ কৰি কিছুমান বাস্তৱ আৰু কিছুমান চিত্ৰগ্ৰহণ কৰা ধাৰাবাহিকখনে নিজৰ ছন্দত থিতাপি ল'বলৈ সময় লয় আৰু এবাৰ আৰম্ভ হ'লে ধাৰাবাহিকখনে এৰি নিদিয়ে। আনকি পৰিচালক হিচাপেও শিৱ ৰাৱাইলে তেওঁৰ প্ৰথমটো উদ্যোগতে দৰ্শকৰ দৃষ্টি আকৰ্ষণ কৰিছে। শিৱ ৰাৱাইলে তেওঁৰ ধাৰাবাহিক 'দ্য ৰেলৱে মেন'ৰ বাবে যিবোৰ চৰিত্ৰ সৃষ্টি কৰিছে সেইবোৰ বাস্তৱ জীৱনৰ পৰা লোৱা হৈছে। ইয়াত কল্পনাৰ কিছু সোৱাদও যোগ কৰিছে। ষ্টেচন মাষ্টাৰৰ চৰিত্ৰত অভিনয় কৰা কে কে মেননে এই কাহিনীৰ শক্তিশালী ভিত্তি। প্ৰকৃত দুৰ্ঘটনাৰ সময়তো ভোপাল জংচনৰ সহকাৰী ৰেলৱে মাষ্টৰে একেধৰণৰ কাম কৰিছিল। গেছ নিৰ্গত হোৱাৰ তথ্য পোৱাৰ পিছতো তেওঁৰ কৰ্তব্যত অটল থকা আৰু সকলো অসুবিধাৰ মাজতো মানৱীয় কৰ্তব্যৰ পৰা বিচ্যুত নোহোৱাটো বহু আগতেই পৰ্দাত আহিব লাগিছিল এক কাহিনী। 'দ্য ৰেলৱে মেন'-এ কে কে মেননে অ'টিটি জগতত সৃষ্টি কৰা অনন্য আভাক 'স্পেচিয়েল অপছ', 'ৰে', 'ফাৰ্জি' আৰু 'বম্বে মেৰী জান'ৰ দৰে কাহিনীৰে আলোকিত কৰিছে। অতীতৰ কোনো এটা কাণ্ডই খেদি ফুৰা ষ্টেচন মাষ্টৰে ষ্টেচনত উপস্থিত যাত্ৰীসকলৰ লগতে ষ্টেচনত উপস্থিত হোৱা যাত্ৰীৰে ভৰি থকা ৰে'লৰ যাত্ৰীসকলক বচাবলৈ যি কৰে, সেইটো কে কে মেননে তেওঁৰ অভিনয়ত চিত্ৰিত কৰিছে . দুৰ্ঘটনা নিশাৰ আৰু দুটা বিশিষ্ট চৰিত্ৰ সেই নিশা ভোপাল ৰেল ষ্টেচনত উপস্থিত থকা দেখা যায়। এজন হ'ল বাবিল খান এজন লোকো পাইলটৰ চৰিত্ৰত যি চাকৰিৰ প্ৰথম দিনাই এক অদ্ভুত দুৰ্ঘটনাত পতিত হয়। যোৱাবাৰ বাবিলৰ বিষয়ে লিখিছিলোঁ যে যেতিয়াই তেওঁ পৰ্দাত আহে তেতিয়াই তেওঁৰ দেউতাক ইৰফানৰ কথা মনত পৰে। এইবাৰ এই ত্ৰুটিৰ পৰা সম্পূৰ্ণৰূপে আঁতৰি গৈছে বাবিল। এই ধাৰাবাহিকখনত তেওঁক ইৰফানৰ ছাঁৰ পৰা ওলাই অহা এজন শিল্পী হিচাপে দেখা গৈছে। ভোপাল উপভাষাৰ উচ্চাৰণ ধৰি ৰখাত সফল হোৱা বাবিল, আৰু প্ৰতিটো প্ৰচেষ্টাতে ষ্টেচন মাষ্টৰৰ সোঁ কান্ধ হ'বলৈ যৎপৰোনাস্তি চেষ্টা কৰা চৰিত্ৰটোত তেওঁৰ আচৰিত অভিনয় তেওঁৰ বাবে এক ডাঙৰ জয়। এতিয়া তেওঁ ইয়াৰ পৰা ক'লৈ যাব তাক লৈ পৃথিৱীয়ে চকু ৰাখিব। ষ্টেচনৰ দ্বিতীয়টো গুৰুত্বপূৰ্ণ চৰিত্ৰত অভিনয় কৰিছিল দিব্যেন্দু শৰ্মাই। এই চৰিত্ৰটোৰে জানে পুলিচৰ ইউনিফৰ্মত থকাৰ প্ৰভাৱ। তেওঁৰ উদ্দেশ্য আন কিবা আৰু দুৰ্ঘটনাৰ মাজত থকা বুলি উপলব্ধি কৰাৰ পিছত তেওঁ আন কিবা এটা কৰে। এই চৰিত্ৰটোৰ বাবেই কাহিনীটোত কিছুমান হাস্যৰসময়ী মুহূৰ্ত আৰু শিৱ ৰাৱাইলৰ লেখাৰ শক্তি যে অতি গুৰুতৰ কাহিনী এটাতো তেওঁ কিছু লঘু মুহূৰ্ত ছটিয়াই দিবলৈ সক্ষম হৈছিল। এই তিনিটা চৰিত্ৰৰ উপৰিও ৱেব ছিৰিজ 'দ্য ৰেলৱে মেন' য়ে আন কিছুমান চৰিত্ৰৰ পৰাও প্ৰশংসনীয় সহায় লাভ কৰে, যাৰ প্ৰথম নাম অভিনেতা ৰংগনাথন মাধৱন। শেহতীয়াকৈ মাধৱনে ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা লাভ কৰিছে, তেওঁক চিনেমাৰ বাবে দক্ষ কাৰিকৰী আৰু শিল্পীক গ্ৰুমিং কৰাৰ দায়িত্বত থকা ফিল্ম ইনষ্টিটিউটৰ অধ্যক্ষ হিচাপেও নিযুক্তি দিয়া হৈছে। আৰু, চেণ্ট্ৰেল ৰেলৱেৰ জেনেৰেল মেনেজাৰৰ ভূমিকাত তেওঁ ইক্ৰামে কিয় এই সকলোবোৰ পুৰস্কাৰ পাইছে সেয়াও প্ৰমাণ কৰে। মাধৱনৰ মুখৰ উজ্জলতাই তেওঁক নিজৰ সময়ৰ অতুলনীয় অভিনেতা কৰি তুলিছে। সংলাপ কওঁতে সেই দৃশ্যত তেওঁৰ ছাপ স্পষ্টকৈ দেখা যায়। ৰেলৱেৰ সঞ্চালক প্ৰধান হোৱা জুহি চাওলাৰ চৰিত্ৰৰ সৈতে তেওঁৰ ব্যক্তিগত আৰু পেছাদাৰী দুয়োটা সম্পৰ্ক আছে। আৰু, মাধৱনে এই কাহিনীটোত দুয়োটা সম্পৰ্কৰ সূতা অতি দৃঢ়তাৰে ধৰি ৰাখিছে। শিৱ ৰাৱাইলে তেওঁৰ ৱেব ছিৰিজ 'দ্য ৰেলৱে মেন'ৰ কাষ্টিং ডাইৰেক্টৰ শনু শৰ্মাৰ পৰাও যথেষ্ট সহায় লাভ কৰিছে। সৰু সৰু চৰিত্ৰতো সক্ষম অভিনেতাক নিয়োগ কৰি এই ধাৰাবাহিকখনৰ প্ৰতিটো ৰং উজ্জল কৰি ৰাখিছে শনুৱে। এগৰাকী অনাথ ছোৱালীক ডাঙৰ-দীঘল কৰা এগৰাকী মহিলা ৰে'ল কৰ্মচাৰীৰ চৰিত্ৰত সুনীতা ৰাজৱাৰৰ স্পৰ্শকাতৰ অভিনয় অতি ফলপ্ৰসূ। ছোৱালীৰ সাজ-পোছাক পিন্ধি মুখ ঢাকি শিখ বিৰোধী দাঙ্গাৰ পৰা পুত্ৰক বচাবলৈ চেষ্টা কৰা মাতৃৰ চৰিত্ৰত মোনা সিঙৰ শক্তি হওক বা ৰেলৱেৰ চকীদাৰৰ চৰিত্ৰত ৰঘুবীৰ যাদৱে দৰ্শকৰ হৃদয় জয় কৰিবলৈ চেষ্টা কৰা এই সকলোবোৰে ধাৰাবাহিকখন অতিমাত্ৰা চোৱাৰ ইচ্ছা জগাই তোলে। ধাৰাবাহিকখনৰ আৰম্ভণিতে ছানী হিন্দুজা আৰু তেওঁৰ অভিনয় চোৱাৰ পিছত কাহিনী আৰম্ভ কৰিবলৈ তেওঁতকৈ ভাল অভিনেতাৰ কথা ভাবিবলৈ টান। দিব্যেন্দু ভট্টাচাৰ্যইও কাৰখানাৰ পৰা ওলাই আহোঁতে দুৰ্ঘটনাৰ তথ্য লাভ কৰি কাৰখানাটোত প্ৰৱেশ কৰা কৰ্মচাৰীৰ ৰূপত নিজৰ প্ৰভাৱ পেলাইছে। কাৰিকৰীভাৱেও ধাৰাবাহিকখন অতি ভাল। ইয়াৰ প্ৰডাকচন ডিজাইনিং, সম্পাদনা, চিনেমেট'গ্ৰাফী আৰু সম্পাদনা এই সকলোবোৰ শিৱ ৰাৱাইলে অতি সুন্দৰভাৱে কৰিছে। ৱেব ছিৰিজখন এনেকুৱাই আছিল। কিন্তু, এই ধাৰাবাহিকখনৰ নিজস্ব সুকীয়া আণ্ডাৰকাৰেণ্টো আছে। টিভিৰ পৰ্দাত ৰাজীৱ গান্ধীয়ে ডাঙৰ গছ পৰিলে পৃথিৱী কঁপি উঠে বুলি কোৱা আৰু শিখৰ সন্ধানত দাঙ্গাকাৰীয়ে ৰে'লত আক্ৰমণ কৰা দৃশ্যই ধাৰাবাহিকখনৰ এক ডাঙৰ আভাস। তদানীন্তন ৰে'ল মন্ত্ৰীৰ কাৰ্যালয়ত যিয়েই নহওক কিয়, সেয়া স্বাভাৱিক নাছিল বুলিও ইংগিত পোৱা গৈছে।

# 'ইণ্ডিয়া'ৰ সংকট !



**বৰ্তমান সংবাদঃ** শেহতীয়াকৈ ৫ খন ৰাজ্যত অনুষ্ঠিত হোৱা বিধানসভা নিৰ্বাচনৰ পিছত বিৰোধীৰ মিত্ৰজোট সংকটত পৰিছে । এফালে সমাজবাদী পাৰ্টি, তৃণমূল কংগ্ৰেছৰ দৰে দলসমূহে কংগ্ৰেছৰ সামৰ্থ্যক লৈ প্ৰশ্ন উত্থাপন কৰিবলৈ আৰম্ভ কৰিছে । কাইলৈ হ'বলগীয়া 'ইণ্ডিয়া' মিত্ৰজোটৰ বৈঠকখন হঠাৎ স্থগিত ৰাখিব লগীয়া হোৱা পৰিঘটনাই ৰাজনৈতিক মহলত প্ৰশ্নৰ উদ্ৰেক ঘটাইছে। উল্লেখ্য যে এই বৈঠকত লালুপ্ৰসাদ যাদৱ, মমতা বেনাৰ্জী, নিতিশ কুমাৰ, শিবু সোৰেণ আদিৰ দৰে নেতাই অংশগ্ৰহণ নকৰাৰ সিদ্ধান্ত লৈছিল। তিনিখনকৈ ৰাজ্যত মিত্ৰজোটে বেয়াকৈ পৰাস্ত হোৱাৰ পিছত এই বৈঠক লোকসভা নিৰ্বাচনৰ স্বাৰ্থত গুৰুত্বপূৰ্ণ আছিল যদিও এনে এখন সভাত হেভিৱেট নেতাই পিছ হোহাকি অহাটোৱে ৰাজনৈতিক জগতত তাৎপৰ্য বহন কৰিছে। সমগ্ৰ বিষয়টো চালিজাৰি চাই বিৰোধী ৰাজনীতিত এতিয়া কংগ্ৰেছ এফালে আৰু 'ইণ্ডিয়া' মিত্ৰজোটৰ আন বৃহৎ দলকেইটা আনফালে যোৱাৰো সন্দেহ প্ৰকাশ কৰিছে ৰাজনৈতিক মহলে। এই সন্দেহক অধিক ঘণীভূত কৰি নিৰ্বাচনত বিজেপিৰ উৎকৃষ্ট প্ৰদৰ্শনৰ ওপৰত 'ইণ্ডিয়া'ৰ অন্যতম প্ৰধান নেতা হেমন্ত ছ'ৰেনে ডাঙৰ বক্তব্য আগবঢ়াইছে। ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰী হেমন্ত ছ'ৰেনে মঙলবাৰে বৈঠক স্থগিত হোৱাৰ পূৰ্বে স্পষ্ট কৰি দিয়ে যে ৬ ডিচেম্বৰত দিল্লীত অনুষ্ঠিত হ'বলগীয়া 'ইণ্ডিয়া'ৰ বৈঠকলৈ নাযাব। অৱশ্যে কিছু সময়ৰ পাছত এই সভাখন স্থগিত ৰখাৰ খবৰটোও আহিল। বিধানসভা নিৰ্বাচনত হিন্দী বেল্টৰ তিনিখন ৰাজ্যত বিজেপিৰ সফলতাৰ সন্দৰ্ভত সোৰেনে কয় যে এনে ফলাফল আগতেও আহি আহিছে আৰু ঝাৰখণ্ডত ইয়াৰ কোনো প্ৰভাৱ নপৰে। নিৰ্বাচনত দলটোৱে যিমান কঠোৰ পৰিশ্ৰম কৰে তাৰ অনুযায়ী ফলাফল পোৱাটো কোনো আচৰিত কথা নহয় বুলিও মন্তব্য কৰে। অৰ্থাৎ বিৰোধী দল এটাৰ নেতা হোৱাৰ পাছতো বিজেপিৰ কঠোৰ পৰিশ্ৰম আৰু সফলতা নিশ্চিত কৰিছে সোৰেনে। ২০২৪ চনৰ লোকসভা নিৰ্বাচনত বিজেপিয়ে ৪০০ খন আসন অতিক্ৰম কৰাৰ দাবী সন্দৰ্ভত সোৰেনে কয় যে দেশৰ সকলোৰে বাক স্বাধীনতা আছে, যিকোনো ব্যক্তিয়ে যিকোনো কথা ক'ব পাৰে, কিন্তু প্ৰকৃত সিদ্ধান্ত জনসাধাৰণে লয়। উল্লেখ্য কওঁ যে ছ'ৰেনৰ আগতে মমতা বেনাৰ্জী, নীতিশ কুমাৰ আৰু লালু প্ৰসাদ যাদৱেও সভাত অংশগ্ৰহণ নকৰাৰ খবৰ আহিছিল। সভালৈ নোযোৱাৰ কাৰণ দি হেমন্ত সোৰেনে কৈছিল যে তেওঁ ৰাজ্যখনত অতি ব্যস্ত, যাৰ বাবে তেওঁ দিল্লীলৈ যাব নোৱাৰিব। অৱশ্যে তেওঁ নিজৰ পক্ষৰ পৰা এজন প্ৰতিনিধিক তাত অংশগ্ৰহণ কৰিবলৈ চেষ্টা কৰিব বুলিও কৈছিল। সোৰেনে কয় যে তেওঁৰ ব্যস্ততাৰ বিষয়ে কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খৰ্গেক অৱগত কৰিছে। ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰী আই.এন.ডি.আই.এ. লগতে মিত্ৰজোঁটৰ কোনো বিবাদৰ কথাও অস্বীকাৰ কৰে।

## চাকৰিৰ নামত চাইবাৰ নেটৱৰ্ক

# অপৰাধীৰ জালত দেশৰ নিবনুৱা




**বৰ্তমান সংবাদ ঃ** আজি প্ৰযুক্তিয়ে মানুহৰ কাম সহজ কৰি তুলিছে যদিও আনফালে অপৰাধী সক্ৰিয় হৈ পৰিছে। চাইবাৰ অপৰাধৰ খবৰ প্ৰতিদিনে পোহৰলৈ আহি থাকে। কেতিয়াবা ভুৱা একাউণ্টৰ খেল, কেতিয়াবা কাৰোবাৰ একাউণ্ট হেক কৰি অপৰাধীয়ে চকুৰ পলকতে লাখ লাখ কোটি টকা উলিয়াই আনিছে। ভুৱা ৱেবছাইটৰ সহায় লৈ অপৰাধীয়ে মানুহক প্ৰতাৰণা কৰিছে। এনে অপৰাধীয়ে ভুক্তভোগীৰ দুৰ্বলতাৰ সুযোগ লৈ ফান্দত পেলায়। এতিয়া প্ৰৱঞ্চকসকলে চাকৰিৰ প্ৰলোভনেৰে মানুহক তেওঁলোকৰ ফান্দত প্ৰলোভিত কৰিছে। যাৰ ওপৰত চৰকাৰে বৃহৎ ব্যৱস্থা গ্ৰহণ কৰিছে। কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ৰ পৰামৰ্শৰ পিছত সংগঠিত অবৈধ বিনিয়োগ আৰু কৰ্মভিত্তিক অংশকালীন চাকৰিৰ জালিয়াতিৰ সুবিধা প্ৰদান কৰা ১০০ ৰো অধিক ৱেবছাইট ব্লক কৰা হয়। এক চৰকাৰী বিবৃতি অনুসৰি এই ৱেবছাইটসমূহ বিদেশী লোকে পৰিচালনা কৰিছিল। কৰ্মভিত্তিক অংশকালীন চাকৰিৰ জালিয়াতি কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ৰ এটা শাখা ভাৰতীয় চাইবাৰ অপৰাধ সমন্বয় কেন্দ্ৰই ইয়াৰ ৰাষ্ট্ৰীয় চাইবাৰ অপৰাধ ভাবুকি বিশ্লেষণ ইউনিটৰ জৰিয়তে যোৱা সপ্তাহত জড়িত ১০০ জনতকৈ অধিক লোকক গ্ৰেপ্তাৰ কৰে ৱেবছাইটসমূহ চিনাক্ত কৰা হৈছিল আৰু ব্লক কৰাৰ বাবে পৰামৰ্শ দিয়া হৈছিল। ১০০ টাতকৈও অধিক ৱেবছাইট, যিয়ে সংগঠিত অবৈধ বিনিয়োগ, কৰ্মভিত্তিক অংশকালীন চাকৰিৰ জালিয়াতিৰ সুবিধা প্ৰদান কৰিছিল, ব্লক কৰা হৈছিল: গৃহ মন্ত্ৰালয় ইলেক্ট্ৰনিক্স আৰু তথ্য প্ৰযুক্তি মন্ত্ৰালয়ে অনুসৰণ কৰি ৱেবছাইটসমূহ ব্লক কৰা হৈছিল, বিবৃতিটোত কোৱা হৈছে তথ্য প্ৰযুক্তি আইন, ২০০০ৰ অধীনত ক্ষমতা। "গুগল আৰু মেটাৰ দৰে প্লেটফৰ্মত বিদেশী বিজ্ঞাপনদাতাই "ঘৰভিত্তিক চাকৰি", "ঘৰৰ পৰা কেনেকৈ উপাৰ্জন কৰিব পাৰি" আদি মূল শব্দ ব্যৱহাৰ কৰি একাধিক ভাষাত লক্ষ্য নিৰ্ধাৰণ কৰি ডিজিটেল বিজ্ঞাপন আৰম্ভ কৰে। লক্ষ্য বেছিভাগেই চাকৰি বিচৰা অৱসৰপ্ৰাপ্ত কৰ্মচাৰী, মহিলা আৰু নিবনুৱা যুৱক-যুৱতী।'-বিবৃতিটোত কোৱা হৈছে। অৰ্থনৈতিক অপৰাধৰ সৈতে জড়িত কাৰ্য্যভিত্তিক সংগঠিত অবৈধ বিনিয়োগৰ সুবিধা প্ৰদান কৰা এই ৱেবছাইটসমূহ বিদেশী অভিনেতাই পৰিচালনা কৰা আৰু ডিজিটেল বিজ্ঞাপন, আড্ডা মেচেঞ্জাৰ, আৰু খচ্চৰ আৰু চেৰ'গেট একাউণ্ট ব্যৱহাৰ কৰা বুলি প্ৰকাশ পাইছিল। ভাৰতৰ পৰা ধন সৰবৰাহ কৰা হয় বিবৃতিটোত কোৱা হৈছে যে বৃহৎ পৰিসৰৰ অৰ্থনৈতিক জালিয়াতিৰ পৰা পোৱা ধন কাৰ্ড নেটৱৰ্ক, ক্ৰিপ্টো মুদ্ৰা, বিদেশী এটিএম উলিওৱা আৰু আন্তঃৰাষ্ট্ৰীয় ফিনটেক কোম্পানী ব্যৱহাৰ কৰি ভাৰতৰ বাহিৰলৈ প্ৰেৰণ কৰা হৈছে। সমস্যাসমূহৰ সৈতে মোকাবিলা কৰিবলৈ গৃহ পৰিক্ৰমা মন্ত্ৰালয়ৰ এক পদক্ষেপ । দেশত চাইবাৰ অপৰাধ সমন্বিত আৰু ব্যাপক পদ্ধতিৰে নিয়ন্ত্ৰণ কৰিব লাগে।




DB Business Hub
(CO-WORKING SPACES)
House No. 67, Rajgarh Main Road, Opposite Bye Lane No 8,
Guwahati Assam 781003

+91 91270 75133 BOOKING OPEN


ASOMIYA BARTAMAN, Printed,Owned and Published by Prabin Thakuria and printed at Pee Gee (India) limited, Kalapahar, Guwahati-16 & Published at WEST BORAGAON, BAKULNAGAR, PO- MALIGAON, DIST- KAMRUP (M), GUWAHATI-781011, ASSAM , Editor : **Prabin Thakuria**

স্বত্বাধিকাৰী প্ৰবীণ ঠাকুৰীয়াৰ দ্বাৰা সম্পাদিত, প্ৰকাশিত আৰু মুদ্ৰিত আৰু পি জি (ইণ্ডিয়া) লিমিটেড, কালাপাহাৰ, গুৱা হাটী-১৬ ত মুদ্ৰিত, কাৰ্যালয় ঃ পশ্চিম বৰগাঁও, বকুল নগৰ, কামৰূপ(ম), গুৱাহাটী-১১,অসম

সম্পাদনা উপদেষ্টা ঃ ডঃ যতীন বৰুৱা Contact No.- +91 9957192594, E-mail : asomiyabartaman@gmail.com ■ সম্পাদক ঃ প্ৰবীণ ঠাকুৰীয়া